শ্রীচৈয়দ আহমেদ আলি :- সেই কথা মই জনাইছোৱেই। এই টকা যেতিয়া চেংচন হৈ যাব তেতিয়া ডি চি আৰু এচ ডি অলৈ আমি নির্দ্দেশ পঠাম। দেভেলপমেণ্ট স্কিমৰ কোন কোন আচনি হব সেই বিলাকক-মহকুমাত যি সকল মাননীয় সদস্য থাকে তেখেত সকলৰ লগত আলোচনা কৰি কৰিব।

শ্রী দুলাল চন্দ্র বৰুৱা :- মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো

যে পঞ্চায়ত বিলাক উঠাই দিয়াৰ পিচত পঞ্চায়তৰ বিভিন্ন শিতানত যি বিলাক টকা পইচা খৰচ কৰে সেই বিলাক এটা নিৰ্দ্দিষ্ট সময়ৰ কাৰণে দিয়া হয়। যি বিলাক খৰচ নোহোৱাকৈ আছে সেই বিলাক কোন শিতানত জমা ৰখা হৈছে ?

শ্ৰীচৈয়দ আহমেদ আলি :- এই টকা এতিয়াবোধহয় যাব পাৰে কিন্তু গৈছেনে নাই নাজানো সম্ভৱ যোৱা নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :- কিছুমান টকা ইতিমধ্যে চেংচন হৈ গল। আৰু ইতিমধ্যে পঞ্চায়ত বিলাক উঠি গল। এই টকা কোন ফাণ্ডত ৰখা হৈছে আৰু যি ফাণ্ডত ৰাখিছে তাত ৰখাৰ কিবা যুক্তি আছেনে ?

শ্ৰীচৈয়দ আহমেদ আলি:- এই বিলাক টকা এচ আৰ দি ফান্দত আছে। তাৰোপৰি জিলাৰ টেজাৰিত ৰখা হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :- এই টকা দিয়া হয় এটা বছৰৰ ভিতৰত খৰচ কৰিবৰ কাৰণে । যদি সেই বছৰৰ ভিতৰত খৰচ কৰিব নোৱাৰে তেন্তে সেই টকা ডি চিয়ে কেনেকৈ ৰাখি থব পাৰে ?

শ্ৰীচৈয়দ আহমেদ আলি :- ইয়াত দুই ৰকমৰ টকা আছে। এটা প্লেনৰ টকা আৰু এটা বাজেটৰ টকা। প্লেনৰ টকা যদি সময় মতে খৰচ নকৰে তেনেহলে লেপচ হৈ যায়। কিন্তু নৰমাল বাজেটৰ টকা ডি চিয়ে ড্ৰ কৰি ৰাখি থয়। যদি নৰমাল বাজেটত এনেকুৱাকৈ টকা আছে তেন্তে তাৰ ব্যৱস্থ কৰিম আৰু পৰীক্ষা কৰি চাম। যাতে এই টকাটো মৰি নাযায় তাৰ ব্যৱস্থা লম ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :- প্লেনৰ টকা ড্ৰ কৰি এচ আৰ দি ফাণ্ডত ৰখাৰ কথাটো লিগেল হয়নে নহয় ?

শ্ৰীচৈয়দ আহমেদ আলি :- এইটো লিগেল নে ইলিগেল এইটো পৰীক্ষা কৰি চাব লাগিব।

শ্ৰীমতী ৰেৱতী দাস :- ৫০ লাখ টকা খৰচ হৈ গল বুলি কৈছে। কিন্তু এই কামৰ পৰা কিমান উন্নয়ন মূলক কাম কৰা হল সেইটো জনাবনে ?

শ্ৰী চৈয়দ আহমেদ আলি :- এই টকাটো অফিচাৰৰ দৰ্মহা আৰু এচটালিচমেণ্ট খৰচৰ কাৰণে দিয়া হয়, ইয়াত কোনো উন্নয়ন মূলক আচনিৰ কথা নাই ।

শ্ৰী জগদীশ দাস :- এই টকা বিলাক স্কিমৰ জৰিয়তে দিনেকি নে লাম চাম হিচাবে দিব ?

শ্ৰী চৈয়দ আহমেদ আলি :- ইয়াত আচনিৰ কথা আছে। কোন কোন আচনিত কিমান টকা দিব লাগিব এই কথা মাননীয় সদস্য সকলৰ লগত ডি চি এ আলোচনা কৰি কৰিব।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী :- পঞ্চায়তৰ নিৰ্ব্বাচন এপ্ৰিল মাহৰ ৮ তাৰিখে ধাৰ্য্য কৰিছে। যি আধা কোটি টকা মাৰ্চ মাহৰ আগতে খৰচ কৰা হব এই টকা ৰাইজৰ প্ৰতিনিধি নোহোৱাকৈ এই দেৰ মাহৰ ভিতৰত খৰচ কৰাৰ সম্ভৱনা আছেনেকি ?

শ্ৰী চৈয়দ আহমেদ আলি :- স্কিম বিলাক হৈ আছে কিন্তু টকা বিতৰণ হোৱা নাই। মই আশা কৰো একটিভলি অফিচাৰ সকলে খৰচ কৰিব। এই কথাত ডি চি বা এচ ডি অ সকলে মাননীয় সদস্য সকলৰ লগত আলোচনা কৰিব।

শ্ৰী প্ৰবীন কুমাৰ চোধুৰী :- ডি চি অন্যান্য কামত ব্যস্ত হৈ থাকে। সেই কাৰণে ডি চিৰ ঠাইত বি ডি অ সকলকে লব নোৱাৰিনে ?

শ্ৰী চৈয়দ আহমেদ আলি :- ডি চিক দিলেও তেখেত সকলে বি ডি অ সকলক লৈ সদায় কাম কৰে ।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী :- এই আধা কোটি টকা ৰাজনৈতিক উদ্দেশ্যত খৰচ নহব বুলি চৰকাৰে কব পাৰিবনে ?

শ্ৰী চৈয়দ আহমেদ আলি :- এইটো এটা মতামতৰ প্ৰশ্ন।

বি : কৃষি বিভাগৰ উচ্চ পদস্থ বিষয়াৰ সভা

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীয়ে সুধিছে :

*১০৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৩ চনৰ ১৩ নবেম্বৰ তাৰিখে অসম প্ৰদেশ কংগ্ৰেছ ভৱনত কৃষি বিভাগৰ উচ্চ পদস্থ বিষয়া সকলৰ এখন সভাত মূখ্যমন্ত্ৰীয়ে ভাষণ দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা হয়, এই সভা খন কোনে আহ্বান কৰিছিল ?

(গ) সভাৰ আলোচনা বিষয় বস্তু কি আছিল ?

(ঘ) কিমান জন কৃষি বিষয়াই এই সভাত যোগদান কৰিছিল ?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১০৫। (ক)—১৯৭৩ চনৰ ১৩ নবেম্বৰত অসম প্ৰদেশ কংগ্ৰেছ ভৱনত অসম কৃষি বিভাগৰ উচ্চ পদস্থ বিষয়া সকলৰ কোনো আনুস্থানিক সভা আহ্বান কৰা হোৱা নাছিল, ও মূখ্য মন্ত্ৰীয়ে তেনে কোনো সভাত ভাষণ দিয়া নাই।

(খ)—কথা নুঠে।

(গ)—কথা নুঠে।

(ঘ)—কথা নুঠে।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী :- মন্ত্ৰী মহোদয়ে কৈছে আনুস্থানিক সভা হোৱা নাছিল। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অনাঅনুস্থানিক কিবা সভা হৈছিলনেকি যত কৃষি বিষয়া সকল উপস্থিত আছিল।

শ্ৰীউপেন দাস :- সেই সময়ত মূখ্য মন্ত্ৰী বিশেষ কাৰণত কংগ্ৰেছ ভৱনত আছিল। সেই সময়ত বিশেষ কিবা এটা কথা আলোচনা কৰিবৰ কাৰণে কৃষি বিষয়া সকলক মাতি নিছিল।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী :- কেইজন কৃষি বিষয়া মূখ্য মন্ত্ৰীক লগ ধৰিবলৈ গৈছিল অৰু একে সময়তে ইমান বিলাক অযিচাৰ যাৱৰ কাৰণ কি।

শ্ৰীউপেন দাস :- ৭ কোনো সভা হোৱা নাছিল। মুখ্য মন্ত্ৰীয়ে বিষেশ এটা কথা আলোচনা কৰিবৰ কাৰণে কৃষি বিষয়া সকলক মাতি নিছিল।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী : মুখ্য মন্ত্ৰীক লগ ধৰিবলৈ কেইজন

বিষয়া গৈছিল আৰু একে সময়তে ইমান কেইজন বিষয়া যোৱা কাৰণ কি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ – ৭ মুখ্য মন্ত্ৰী এঠাইত থাকিলে আৰু কিবা এটা কথা আলোচনা কৰিবলৈ হলে অফিচাৰ কিমান থাকিব লাগিব তাৰ কোনো কথা নাই। কাৰণ কৃষিৰ কথা আলোচনা কৰিবলৈ হলে কৃষি বিভাগৰ যিমান অফিচাৰ আছে সকলোকে প্ৰয়োজন হব পাৰে। তাত এজনো থাকিব পাৰে বা ৫ জনো থাকিব পাৰে।

শ্ৰীউপেন দাস :- প্ৰশাসনৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে গৈছিল ।

অধ্যক্ষ :- কোন কোন আছিল নাম জানে নেকি ?

শ্ৰীউপেন দাস :- কৃষি বিভাগৰ বিষয়া আৰু প্ৰশাসনীয় বিষয়া।

শ্ৰীদুলাল বৰুৱা :- অফিচাৰ সকলক মুখ্য মন্ত্ৰীৰ চেম্বাৰলৈ মাতি নিয়া হয় আলোচনা কৰিবৰ কাৰণে। কিন্তু পাৰ্টি মিটিঙলৈ মাতি নিয়া কথাটো সমৰ্থন কৰে নে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ : দ্ৰুত কাম সম্পন্ন কৰিবৰ কাৰণে কেতিয়াবা তেনে কৰা হয়।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :- জিলা কংগ্ৰেছ অফিচলৈ অফিচাৰ সকলক মাতি নিয়া হয় নে নহয় ?

শ্ৰীশৰত চন্দ্ৰ সিংহ :- জেনেৰেল ভাবে কলে উত্তৰ দিয়াটো টান।

বি: মঙ্গলদৈ মহকুমাত জলসিঞ্চন আঁচনি

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*১০৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চতুৰ্থ পাঁচবছৰীয়া পৰিকল্পনাৰ কালছোৱাত মঙ্গলদৈ মহকুমাত জলসিঞ্চনৰ কিমান টকাৰ আঁচনি লোৱা হৈছিল আৰু কি কি ?

(খ) এই সকলো আঁচনি সম্পুৰ্ণ হৈছে নে আৰু যদি হোৱা নাই ? কিয় ?

(গ) বাকী থকা কাম কেতিয়া সম্পূৰ্ণ কৰা হব ?

শ্ৰীবিষ্ণু প্ৰসাদ (জলসিঞ্চন বিভাগৰ ৰাজ্যিক মন্ত্ৰীয়ে উত্তৰ দিছে :

১০৬। (ক)– মুঠ ৫৫,৫৩,০০০·০০ টকাৰ আঁচনি লোৱা হৈছিল।

| আঁচনিৰ নাম | প্ৰাককলন খৰছ টকা |
|---|---|
| ১। কালপানী জঃ সিঃ আঃ | ২১,২৯,০০০·০০ |
| ২। ডিমিলা " | ১০,৬৮,০০০·০০ |
| ৩। মৰাধনশিৰি " | ১৫,৬৩,০০০·০০ |
| ৪। দলংঘাট উত্তোলন | ৭,৯৩,০০০·০০ |
| মুঠ :— | ৫৫,৫৩,০০০·০০ |

(খ)—হোৱা নাই। বিলাতী মাটি, তিখা আদি নিয়ন্ত্ৰিত সামগ্ৰী নোপোৱাত কাম সম্পূৰ্ণ হোৱা নাই।

(গ)—বিলাতী মাটি তিখা আদি নিয়ন্ত্ৰিত সামগ্ৰীবোৰ সময়মতে পালে ১৯৭৪-৭৫ ইং চনৰ ভিতৰতে সম্পূৰ্ণ হব বুলি আশা কৰিব পাৰি।

বিঃ মঙ্গলদৈ মহকুমাত জলসিঞ্চন আঁচনি

শ্ৰীলক্ষ্মী কান্ত শইকীয়াই সুধিছে :

*১০৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক)—মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত ধনশিৰি আৰু নৈনে নদীৰ জলসিঞ্চন আঁচনি গ্ৰহণ কৰা হৈছেনে ?

(খ) - যদি হৈছে কেতিয়াৰ পৰা এই আঁচনিৰ কাম আৰম্ভ কৰা হব ?

(গ) অহা পঞ্চম পাঁচবছৰীয়া পৰিকল্পনাৰ কালছোৱাত এই দুটা আঁচনিৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে ?

শ্ৰীবিষ্ণু প্ৰসাদ (জলসিঞ্চন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

১০৭। (ক)—ধনশিৰি জলসিঞ্চন আঁচনি পঞ্চম পাঁচবছৰীয়া

পৰিকল্পনাৰ অন্তৰ্ভূৰ্ক্ত কৰা হৈছে। নৈনৈৰ আঁচনি লোৱা হোৱা নাই।

(খ)—পৰিকল্পনা আয়োগৰ অনুমোদন সাপেক্ষে ধনশিৰি জলসিঞ্চন আঁচনিৰ কাম পঞ্চম পাঁচবছৰীয়া পৰিকল্পনাৰ ১ম বছৰতে হাতত লোৱা কথা আছে। নৈনৈৰ প্ৰশ্ন নুঠে।

(গ)—ধনশিৰি জলসিঞ্চন আঁচনিৰ বাবে ৪৬০'০০ লাখ টকা ধাৰ্য্য কৰা হৈছে। নৈনৈৰ প্ৰশ্ন নুঠে।

শ্ৰীলক্ষী কান্ত শইকীয়া :- ৪ৰ্থ পাচ বছৰীয়া পৰিকল্পনাত যি টকা ধাৰ্য্য কৰা হৈছিল, বিলাতী মাটিৰ অভাৱত সেই কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে বুলি মন্ত্ৰী মহোদয়ে কৈছে। গতিকে এই টকাটো চাৰেণ্ডাৰ হব। এই চাৰেণ্ডাৰ হোৱা টকা খিনি পঞ্চম পাচ বছৰীয়া পৰিকল্পনাত অন্তৰ্ভূক্ত হব নে নহয় ?

শ্ৰীবিষ্ণু প্ৰসাদ :- অধ্যক্ষ মহোদয়, আচলতে সেই কথাটো নহয়। ৪ৰ্থ পাচবছৰীয়া পৰিকল্পনাত আমাৰ কামৰ প্ৰায় আধা আধি হৈছে। মই মাননীয় সদস্য গৰাকীক কব খুজিছো যে চাৰিটা সমষ্টিৰ ভিতৰত চাৰিখন আচনিৰ ভিতৰত ইতিমধ্যে আধাতকৈ বেচি কাম হৈছে। পঞ্চম পাচ বছৰীয়া পৰিকল্পনাৰ ভিতৰত অন্তত দলংঘাট পানী যোগান আচনিৰ কাম সম্প'ণ হব বুলি আশা কৰা হৈছে।

শ্ৰীলক্ষী কান্ত শইকীয়া :- মন্ত্ৰী মহোদয়ে কৈছে যে অধিকাংশ কাম হৈছে। মই প্ৰশ্ন কৰিব খোজো ডিমলাৰ আ'চনিৰ কাম হৈছে নে ?

শ্ৰীবিষ্ণু প্ৰসাদ :- শতকৰা ৩৮ ভাগ কাম ইতিমধ্যে হৈছে। চেনেল দুটাৰ কাম হৈ গৈছে।

শ্ৰীকবীৰ ৰয় প্ৰধানী :- চতুৰ্থ পাচ বছৰীয়া পৰিকল্পনাত কোন কোন সমষ্টি জলসিঞ্চন আচনিৰ পৰা বাদ পৰি গল ?

শ্ৰীবিষ্ণু প্ৰসাদ :- ইয়াৰ বাবে নতুন প্ৰশ্ন লাগিব।

শ্ৰীজালালুদ্দিন আহমদ :- মঙ্গলদৈ মহকুমাত চতুৰ্থ পাচ বছৰীয়া পৰিকল্পনাৰ কাৰণে ৫৫০০০০ লাখ টকা ধৰিছে। এই মহকুমাত অহা

পশ্চম পাচ বছৰীয়া পৰিকল্পনাত জলসিঞ্চনৰ কাৰণে কিমান লাখ টকা ধৰা হৈছে ?

শ্ৰীবিষ্ণু প্ৰসাদ :- ধনশিৰি আচনিটো হল মেজৰ পৰ্য্যায়ত। পঞ্চম পাচ বছৰীয়া পৰিকল্পনাত ইয়াৰ বাবে ৪৬০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া :- বিলাতী মাটিৰ অভাবৰ কাৰণে গোটেই অসমতে কাম সম্পূৰ্ণ নোহোৱা অৱস্থা এটা আহিছে। এই অৱস্থাটো আঁতৰ কৰিবৰ কাৰণে কিবা বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে নে ?

শ্ৰীবিষ্ণু প্ৰসাদ :- আমাৰ যি বিলাক আচনি আছে সেই বিলাক কাম দ্ৰুতগতিত চলাবৰ কাৰণে বিলাতী মাটি যোগানৰ কাৰণে বিশেষ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে। আমি আশা কৰিছো অতি সোনকালে এই কাম আৰম্ভ কৰিব পাৰিম।

শ্ৰীসোণেশ্বৰ বৰা :- অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোত এই বিলাতী শব্দটো বেছী প্ৰয়োগ কৰা হৈছে। বিলাতৰ শাসন যোৱাৰ পিছতো বিলাতী শব্দটোৰ প্ৰতি ইমাণ কিয় আকৰ্ষিত হৈছে? এই মাটি কি বিলাতৰ পৰা অনা মাটি নেকি ?

শ্ৰীমৌলনা আব্দুল জেলিল চৌধুৰী :- অধ্যক্ষ মহোদয়, এই ধৰনের মৃত্যু সংবাদ নিশ্চয়ই গুৰুত্বপূৰ্ণ এবং এই জন্যই কি সেখানে এত টাকা বৰবাদ কৰা হয়েছে ?

শ্ৰীবিষ্ণু প্ৰসাদ :- কেৱল মঙ্গলদৈ মহকুমাতেই নহয় যি বিলাক ঠাইত ডাঙৰ ডাঙৰ নদী আছে সেইবিলাকত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ কথা চিন্তা কৰাহৈছে।

শ্ৰীমৌলনা আব্দুল জেলিল চৌধুৰী :- যিটো টকা বৰবাদ কৰিলে তাৰ মাওামেণ্টল বেচিচ কি

শ্ৰীবিষ্ণু প্ৰসাদ :- খেতি মাটিত জলসিঞ্চনৰ ব্যবস্থা কৰিবৰ কাৰণে চৰকাৰে ব্যবস্থা কৰিছে

শ্ৰীজালাল উদ্দিন আহমদ :- পঞ্চম পাচ বছৰীয়া পৰিকল্পনাত অসমৰ কোন ঠাইত কিমান টকা ধাৰ্য্য কৰা হৈছে ? কোনো ঠাইত বেছি হৈ

গল আঞ্চলিক বৈষম্য নহবনে ?

শ্ৰীবিষ্ণু প্ৰসাদ :- অধ্যক্ষ মহোদয়, পঞ্চম পাচ বছৰীয়া পৰিকল্পনাত জলসিঞ্চনৰ কাৰণে মজলীয়া আৰু বৃহত আচনিত ১৯ কোটি টকা ধাৰ্য্য কৰিছো আৰু ক্ষুদ্ৰ জলসিঞ্চন আচনিৰ বাবদ ২৫ কোটি ৩০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে যিটো টকাৰ কথা কলে সেই টকাটো মঙ্গলদৈ মহকুমা বুলি ধাৰ্য্য কৰিছেনে গোটেই দেশৰ আঁচনিৰ বিপৰীতে ধাৰ্য্য কৰিছে ?

শ্ৰীবিষ্ণু প্ৰসাদ : ১৯ কোটি আৰু ২৫ কোটি ৩০ লাখৰ যিটো টকাৰ কথা কৈছো সেইটো গোটেই আমাৰ জলসিঞ্চন আচনিত ধৰা হৈছে।

শ্ৰীজগদ্দিশ দাস : ধনশিৰি আঁচনিত কিমান ঠাই সামৰি লব ?

শ্ৰীবিষ্ণু প্ৰসাদ :- ধনশিৰি নদী ভূটানৰ পৰা ওলাই ব্ৰহ্মপুত্ৰত পৰিছে।

শ্ৰীআতাউৰ ৰহমান : যি ৪ কোটি টকা ধৰিছে—এইটো স্পেচিং চেলে যি আঁচনি কৰিছে তাৰ অন্তৰ্ভূক্ত নে বহিৰ্ভূত আঁচনি ?

শ্ৰীবিষ্ণু প্ৰসাদ : পৰিকল্পনা আঁচনিৰ ভিতৰত।

Undisposed Starred Question No. 108 at 15-2-74

Re: Irrigation Division in Goalpara District

Shri NURUL ISLAM asked:

*108. Will the Minister, Irrigation be pleased to state—

(a) Whether the Government has decided to establish an Irigation Division in the District of Goalpara ?

(b) If so when and where it will be establshed ?

Shri BISNU PRASAD (Minister of State, F.C. & I.) replied:

108: (a)—Already there is an Irrigation Division at Kokrajhar in the District of Goalpara Government

is proposing to create one more Division in the Goalpara District.

(b)—As early as possible with Head Quarter at Goalpara town.

## UNSTARRED QUESTIONS AND ANSWERS

Date: 15th February, 1974

Re: Inspection Bunglow at Chenga

Shri ABDUL HANNAN CHOUDHURY asked:

4. Will the Minister, P.W.D. (R. & B.) be pleased to state—

(a) Whether there is any P. W. D. Inspector Bunglow at Chenga?

(b) If so, when it was constructed and what is the present condition of the said Inspection Bunglow?

Dr. LUTFUR RAHMAN (Minister, P. W. D. (R. & B.) replied:

4. (a —Yes.

(b)—This Inspection Bunglow was constructed by the the Local Board (since defunct) from whom the P. W. D. took it over on 1st March 1961. The date of its conssruction by the Board is not available in records of the P. W. D. The present condition of this Bunglow is same as it was at the time of taking over from Local Board.

## MOTION OF REPRIMANDATION

Mr. Speaker: The Question Hour is over. Shri Mohitosh Purkayastha has written to me asking for permission to make a statement under Rule 134.

Under Rule 134 (2) provides "Such statement shall be made after questions and before the list of business for the day is entered upon." Rule 134 (3) further provides "A copy of the statement shall be forwarded to the Speaker and the Leader of the House one day in advance of the day on which it is made" Shri Purkayastha has submitted a gist of the statement at 9.4 A M. today only. So there is not one day's clear notice. As such he is not entitled to make the statement. But if the House in its wisdom wants to relax the Rule he may make the statement. (Voices : Yes, yes).

Shri Purakayastha can was make the statement.

Shri Mohitush Purkayastha : This is not the gist This is the whole statment. Mr. Speaker, Sir, I crave the indulgence of the august House to make a brief statement about my resignation from the Council of Ministers on January 26 last in deferrance to the unanimous resolution of the Assam Congress Legislature Party.

I am sure the Hon'ble members are awre that my resignation was a culmination of my difference with my esteemed colleques in the Government over the Linguistic and ethnic policies.

I am also certain that I shall be permitted to recall that even as a member of the Council of Miniters I was not a party to the Assembly resolution of September, 23, 1972. Trail of blood, tears and anger of subsepuent developments no doubt proved the correctness of my humble stand and have no hesitation in pointing out that many of the unfortunate happenings would have been averted if my reasoning could

have found appreciation and approval at the policy making levels,

Because, Sir my stand on the rights of the linguistic and cultural minorities is also based on the sound and solid foundation of our noble constitution which unambiguously guarantees complete equality of opportunities to all citizens irrespective of differences of language, religion, caste, creed or sex. In consonance with this constitutional safeguard I stood, and still stand for, equal opportunities in matters of higher education also. That is why I deemed it my duty, and continue to deem so, to advocate for recognition of Bengali and other minority languages as media of education at University level along with Assamese and English.

Sir, the Shastri formula of 1961 also enjoins upon the Government to ensure imparting of education at college level in Bengali and other minority languages As such I considered it my duty even as a member of the Council of Ministers to stress this aspect in view of the fact that Shastri formula was binding upon the State Government.

Besides, I would like to humbly submit before our august House that it shall always be my endeavour to work for the full recognition of linguistic and cultural rights of the minorities. Whenever I go and whatever be the form with which I shall have the privilege to be associated in future as well, it shall always be my earnest endeavour to strive for attaining this cherished goal.

With malice towards none and with good will towards all, let me pray for a change of hearts at

all levels so that we can reach newer horizons of hope after crossing the frontiers of fear and leaping over the degenerating domain of mutual distrust and ill will. Jai Hind.

Shri Sarat Chandra Sinha ( Chief Minister ) : Mr. Speaker, Sir, I am sorry to express my disagrement with Hon'ble Member Shri Purkayastha. He has observed that he was not one with the authority at the policy making level. Sir, if he was not in agreement with the policy that was adopted by the Government, it was for him to resign immediately, if he found that there was disagreement. Sir, I am sorry to observe this. Then, Sir, his subsequent observations are also painful to me. Sir, many things happened. Then we had a conference at Shillong with the Cacher leaders where Shri K. C. Pant, the then Union Minister of State, Home was also present, and we arrived at certain decisions on the basis of mutual understanding amongst different sections of the people living in the State, and we found that understanding was acceptable to all. Now, after arriving at that understanding he should not raise this question again. Then, Sir, I want to make it quite clear that this Government and the Party we represent are not against the rights of the cultural and linguistic minorities living within the State. Sir, the Constitution has cleary provided the rights. We, both the Government and the Organisation, are to fulfil all the obligations of the Constitution. This is the observation I want to make in reply to Shri Purkayastha's statement.

Shri Gourisankar Bhattacharjee : So far as Rule 134 is concerned, there is no doubt that a Minister who resigns can make a statement, but the Chief Minister as the leader of the House is entitled to make a

statement pertinent to the points raised by the Hon'ble Member. The Chief Minister has made the statement under the proviso. From these it appears that the Ministry was divided in itself, and, therefore, it was only fair that the Minister who disagreed with his other collegues ought to have resigned when there was such disagreement at that moment itself.

Shri Gaurisankar Bhattacharjee : (Contd.) Does it not show that the Ministry, including this Minister, has led this country to a great difficulty by this sort of dilly-dally ?

(Shri Dulal Chandra Barua rose to speak)

Mr. Speaker : No, on, I cannot allow you to speak.

Shri Santi Ranjan Dasgupta : Sir, under Rule 171 and also Rule 172 I raise a point of order. Rule 171 says "The Speaker may summon the party charged by notice or warrant to appear before the House or the Committee of Privileges at any stage of the proceedings. Sir, I repeat the sentence 'at any stage of the proceedings'. Then Rule 172 authorises the House to inflict punishment, and there are four types of punishment under the rule, viz : (1) admonition, (2) reprimand, (3) imprisonment and (4) suspension. Sir, I would like to draw the attention of the hon. Members to clauses (3) and (4) of Rule 172 where it has been stated that imprisonment, for such term as may be decided by the House but it shall not extend beyond the prorogation or dissolution of the House whichever is earlier, and sub-clause (4) says "Suspension or expulsion of a member for period not exceeding 30 days or till prorogation or dissolution of the House whichever is earlier." So, in both these cases there is a limitation.

Now, Sir I would refer to Rules. 246, 247 and 248. Rules 247 says "The Committee shall examine every question referred to it and determine with reference to the facts of each case whether a breach, of privilege is involved and, if so, the nature of the breach, the circumstances leading to it and make such recommendations as it may deem fit. "The Committee of Privileges before whom the hon. Member Shri Purkayastha appeared, made certain recommendations and on the basis of those recommendations hon. Member Shri Dulal Chandra Barua moved a resolution under Rule 248. (Shri Dulal Ch. Barua: I did not move any resolution). I am sorry, I may be excused. Then Sir, that resolution was adopted in the last session of the Assemby. So, Sir under Rule 172 read with Rule 171 the limitation of the period is upto the dissolution of the last Assembly session. So, Sir, the punishment of admonition of reprimand cannot have any extended limitation. Even in the case of most serious nature of punishment like imprisonment and suspension there is a limitation of period. Undsr Rule 171 the power of the Speaker is also limited. Sir inflictment of punishment is not a matter of procedure. The matter was under consideration of the House during the last session and proceedings have closed long ago. Therefore, my submission is that the reprimand question cannot come now. Of Course, under Rule 314 the Speaker has been given certain powers. The rule says "if any doubt arises as to the interpretation of any of the provisions of rules, the decision of the Speaker shall be final". Here in this case there is no questions of interpretation. So, Sir, under Rule 172 punishment can be

given at the stage of proceedings and not beyond that and the rule is very clear. So far as the interpretation is concerned, my humble submission is that in this session Mr. Purkayastha cannot be brought here for reprimand under the rules.

Shri Premadhar Bora :—Sir, why the hon. Member was allowed to raise this question ?

Mr. Speaker : He raised a point of order.

Shri Gaurisankar Bhattacharjee :—I should like to submit, Sir, that the hon. Member who has raised the point of order is out of order, and how he is out of order, I will show. Rule 172 envisages four types of punishment—(1) adminition, (2) reprimand, (3) imprisonment, and (4) suspension. So far as admonition and reprimand are concerned, there is no limitation and the limitation is with regard to imprisonment and suspension. Imprisonment is covered by Sub-rule (3). If anybody is to be imprisoned them that imprisonment may continue upto the prorogation or dissolution of the Assembly and not beyond and if one is to be suspended then that suspension can continue for not more than 30 days. So, limitation refers to the two kinds of punishment. Now, so for as this House is concerned it has not decided that he should be imprisoned or suspended, and this House has decided only to reprimand him. Therefore, the point of order is entirely misconceived.

Shri Santi Ranjan Das Gupta :- What is his version about Rule 171 ?

Shri Gaurisankar Bhattacharjee :- Rule 171 does not cover Rule 172.

Mr. Speaker :—Regarding the point of order raised

by the hon. Member Shri Das Gupta I find that there is no strength in his point of order, as pointed out by Mr. Bhattacharjee. The limitation is restricted to only clause (3) and (4), when a Member is to be imprisoned or suspended, and there is no limitation where the punishment is admonition or reprimand. As such I do not find any strength in the point of order raised: Moreover, the Speaker is going to execute the decision of the House under Rule 174. As such the Speaker can summon the hon: Member against whom the order is to be executed. Therefore, I rule out the point of order.

Now, Mr. Purkayastha:

( Shri Mohitosh Purkayastha rose in his seat )

Mr: Purkayastha, the House has expressed its agreement with the 17th Report of the Committee of Privileges and has decided that you are guilty of a breach of privilege of the House. The Committee of Privileges, whose Report the House has adopted, has pointed out that having been a Cabinet Minister incharge of certain important portfolios, you obstructed the Members of the House in discharging their duties by remaining absent wilfully and deliberately from the House while the House is in session and the Deprtments of which you were incharge were being or likely to be discussed in the House: That you have obstructed the Members in discharging their duties is a matter of high concern to the House. I, therefore, as Speaker of the House, and upon its instructions, reprimand you as guilty of a breach of privilege of the House.

( Shri Mohitosh Purkayastha bowed down and took *his seat* )

Shri Dulal Chandra Barua: Mr. Speaker, Sir, there is a point of order. I want to refer to Rules 134, 134 (1) and 134 (4). As per democratic convention when a Minister resigns he can make a statement and accordingly Mr. Purkayastha has made a statement. The gentleman still belong to the party in power. The Chief Minister has also made a counter statement to the statement of Shri Purkayastha. Now under these Rules 134, 134 (1) and 134 (4) when a particular member of the Cabinet, an earstwhile member of the Cabinet has made a statement against the policy of the Government saying that he was not of the same opinion with the Cabinet in deciding particular issues, whether this expresses no confidence in the Ministry itself. Contradictory statements have been made and whether these tentamounts to lack of confidence in the Government.

Shri S. Ahmed Ali (Minister): Sir, hon'ble member Shri Barua has raised a point of order alleging that in the effect of reprimandation of the earstwhile Minister, this Minstry should fall. I think, this is his contention.

Shri Dulal Chandra Barua: He was found guilty of Breach of privilege as Minister.

Shri S. Ahmed Ali: Sir, this point of order relates of Rule 300. Rule 300 says "a point of order shall relate to the interpretation or enforcement of these rules or such articules of the Constitution as regulate the business of the House and shall raise a question which is within the cognizance of the Speaker". Sir, there must be some departure or violation of any constitutional provision or rule. I could not follow him where there is any violation of Constitutional

provisions by this Ministry. Now if his contention is taken into consideration that automatically this Ministry falls because of requirmandation Sri Purkayastha the argument is totally wrong. The Ministry may fall only through a no-confidence motion if carried Otherwise simply by a point of order this Ministry can not be dislodged.

Shri Dulal Chandra Barua : The Constitutional provision is that the Minister has a joint responsibility and the earswhile Minister committed the breach of privilege as Minister, Supply of Sarat Sinha Cabinet. Therefore, when a particular member of the Cabinet is reprimanded for committing breach of-privilege whether this Government has the right to continue ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, so far as the joint responsibility is concerned I want to make it clear. We have joint responsibility in the conduct of the Government and not in boycotting the Assembly and the Government is not responsible for that.

Mr. Speaker : Mr. Barua has raised an interesting point of order and wants me to give a ruling, I think, regarding dissolution of the Ministery. Perhaps no Ministry has been dissolved on the ruling of the Speaker. At any rate, the point of order relates to the infringment of any Constitutional provisions or rules of the House. As a matter of fact the point which has been stressed by Mr. Barua does not infringe either the Constitutional provisions or any rules of procedure of the House. Moreover, the action of Shri Purkayastha, if he would have said while he was Minister that he did not agree with other members

of the Cabinet, would have been a different thing. Now Shri Purkayastha is no longer in the Ministry and when he says all these things, it does not have any bearing on the Cabinet. So, on this I rule out the point of order raised by Shri Barua.

## CALLING ATTENTION

Shrimati Renuka Devi Barkataki: Mr. Speaker, Sir, under rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I beg to call the attention of the Minister, Industries to the nes item appearing in the Dainik Asom, dated 4th January, 1974 under the caption "চাবোন উদ্যোগ মৃত্যুৰ সন্মুখীন"

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) : যোৱা ৪। ১। ৭৪ তাৰিখৰ দৈনিক অসম বাতৰি কাকতত "চাবোন উদ্যোগ মৃত্যুৰ সন্মুখীন" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ যি দৃষ্টি আকৰ্ষত হৈছে তাৰ বিষয়ে চৰকাৰৰ কবলগীয়া এয়ে যে, চাবোন উত্পাদনত চৰ্ব্বি অপৰিহাৰ্য্য উপাদান। কেন্দ্ৰীয় চৰকাৰে বিদেশৰ আমদানী কৰা এই সামগ্ৰী ডেভলপমেণ্ট কৰ্মচনাৰ 'স্মল স্কেল ইন্দ্ৰাষ্টীজে ৰাজ্য সমূহৰ চাহিদা অনুসৰি আৰু আমদানীৰ পৰিমাণ বিবেচনা কৰি ৰাজ্যৰ অংশ নিৰ্দ্ধাৰিত কৰি ষ্টেট ট্ৰেডিং কৰপোৰেচনৰ জৰিয়তে বিতৰণ কৰে। এনেদৰে অসমে পোৱা সামগ্ৰী ৰাজ্যিক শিল্প বিভাগে, চৰকাৰে গঠন কৰা কেচামাল বিতৰণ কমিটিৰ সিদ্ধান্ত অনুসাৰে অসম ক্ষুদ্ৰ উদ্যোগ নিগমৰ জৰিয়তে চাবোন উদ্যোগ সমূহক বিতৰণ কৰে। ভাৰত চৰকাৰে দেশৰ চাহিদা অনুপাতে আমদানিৰ বাবে প্ৰয়োজনীয় বৈদেশিক মুদ্ৰাৰ যাগাৰ দিব নোৱাৰৰ ফলত ৰাজ্যবোৰে চাহিদাৰ অনুপাততকৈ কম চৰ্ব্বি পায় সেই কাৰণে অসমেও চাহিদাৰ অনুপাততকৈ কম চৰ্ব্বি পায় অৱশ্যে অসম চৰকাৰে ভাৰত চৰকাৰক অসমৰ অংশৰ পৰিমাণ বঢ়াবৰ বাবে বাৰে বাৰে টানি অনুৰোধ কৰিছে। কিন্তু আন্তজাতিক বজাৰত চৰ্ব্বিৰ মূল্য বৃদ্ধিৰ ফলত নিৰ্দ্ধাৰিত বৈদিশিক মুদ্ৰাৰে কম পৰিমাণেহে চৰ্ব্বি আমদানি

কৰিব পৰা হৈছে। ফলত ৰাজ্য সমূহৰ প্ৰাপ্য অংশ ক্ৰমাত কমি আহিছে।

ইয়াতে মই উনুকিয়াব খোজো যে, ১৯৬১-৭২ চনত ভাৰত চাকাৰে আমদানি কৰা ৪৫,০০০ মেট্ৰিক টনৰ ভিতৰত ৬১৭ টন অসমৰ বাবে ধাৰ্য্য কৰা হৈছিল।

১৯৭২-৭৩ চনত ৪০,০০০ মেট্ৰিক টনৰ ভিতৰত ৬১৭ টনত ভিতৰত যদিও অসমৰ বাবে ৫৪৮ টন ধাৰ্য্য কৰা হৈছিল, বৈদেশিক মুদ্ৰাৰ অভাৱত এই অংশৰ ৩০ ভাগ পিচত কমাই দিয়ে। বাকী ৭০ ভাগো ষ্টেট ট্ৰেদিং কৰপোৰেচনে সময়ত যোগান নিদিয়াৰ ফলত ৰাজ্যিক ক্ষুদ্ৰ উদ্যোগ নিগমে এতিয়াও সম্পুৰ্ণ বহুতুখিনি আহৰণ কৰিব পৰা নাই। অৱশ্যে নিগমে চেষ্টা চলায়ে আছে। এই পৰিপ্ৰেক্ষিতত অসমৰ আটাইবোৰ চাবোন উদ্যোগ চৰ্ব্বিৰ অভাৱত অসুবিধাৰ সন্মুখীন হোৱা কথাটো সচা।

চলিত বছৰৰ ৩০,০০০ মেট্ৰিক টনৰ ভিতৰত অসমৰ বাবে ৪৬৪ মেট্ৰিক টন ধাৰ্য্য কৰা হৈছে।

ৰাজ্যিক চৰকাৰৰ উদ্যোগ বিভাগৰ পৰা চৰ্ব্বি পোৱা ব্যক্তিগত খণ্ডৰ শতকৰা ৬০ ভাগেই অসত প্ৰতিষ্ঠান বুলি বাতৰিত যদিও প্ৰকাশ পাইছে, বিভাগীয় সূত্ৰে তেনে কোনো খবৰ আজিলৈকে পোৱা হোৱা নাই।

১৯৭২-৭৩ চনৰ অসমৰ নিৰ্দ্ধাৰিত চৰ্ব্বিৰ ৭০ মেট্ৰিকটন দুটা ভুৱা অনুষ্ঠানে ষ্টেট ট্ৰেদিং কৰপোৰেচনৰ পৰা জাল অনুমতি পত্ৰৰ সহায়ত লৈ যোৱা বুলি উদ্যোগ বিভাগৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগে লগে উদ্যোগ বিভাগে ৰাজ্যিক পুলিচ বিভাগক অনুসন্ধানৰ বাবে অনুৰোধ কৰে। তদুপৰি কেন্দ্ৰীয় বিভাগীয় কতৃপক্ষ ইয়াৰ বিষয়ে অনুসন্ধান কৰি জৰিত ব্যক্তি বা প্ৰতিষ্ঠানৰ যথা বিহীত শাস্তিমূলক ব্যৱস্থা লবৰ বাবে আৰু এই ৭০ ৰ ব্যতিক্ৰম যাতে ৰাজ্যিক অংশৰ পৰা কৰ্তন কৰা নহয় তাৰ বাবে অনুৰোধ জনাই। যিহেতুকে উদ্যোগ বিভাগে সেই সময়ত অসমৰ নিৰ্দ্ধাৰিত অংশ অসম ক্ষুদ্ৰা নিগমৰ বাদে কাকো আনিবলৈ অনুমতি পত্ৰ দিয়া নাছিল। এই বিষয়ে এতিয়াও অনুসন্ধান চলি অ ছে আৰু উদ্যগ বিভাগে এই বিষয়টো অনুসন্ধান নকৰিলে বুলি বাতৰিত ওলোৱা

কথাটো সত্য নহয়।

পিচত কেইটামান চাবোন প্ৰতিষ্ঠানৰ বিশেষ অনুৰোধ আৰু অন্যান্য প্ৰাসঙ্গিক কথা বিবেচনা কৰি যদিও নিজৰ দায়িত্ব চৰ্ব্বি আনিবলৈ অনুমতি পত্ৰ দিয়া হৈছিল ষ্টেট ট্ৰেডিং কৰপৰেচনে অমান্তি হোৱাত অসম ক্ষুদ্ৰ নিগমৰ জৰিয়তে সেই খিনি আনিবলৈ সিদ্ধান্ত লোৱা হৈছে। অন্তৰ্জাতিক বজাৰত চৰ্ব্ব মূল্য অতিপাত বঢ়াৰ বাবে বাতৰিত প্ৰকাশ অনুপাতে ইয়াৰ মুল্য বৃদ্ধিহোৱাটো সত্য।

শ্ৰীমতী ৰেনুকাদেৱী বৰকটকী :- মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছে যে আমাৰ কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰীয়ে মাটন টালা ও নোহোৱাকৈ চাবোন উদ্যোগ কৰিব পাৰিব বুলি কৈছিল । এতিয়া তেনে ধৰণে উদ্যোগ আমাৰ ইয়াতো কৰিবলৈ লৈছেনেকি ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) :- মন্ত্ৰী গৰাকীয়ে তেনে মন্তব্য দিয়াতো সম্ভৱ নহয়। অৱশ্যে মই নিজে উপস্থিত নাছিলো। কিন্তু এইটো কৰিবলৈ হলে ইয়াৰ অলটাৰনেটিভ কেচা মাল লাগিব। গতিকে আমি যি পৰিমাণ চৰ্ব্বি পাও তাৰে চাবোন তৈয়াৰ কৰি থকা হৈছে।

শ্ৰীৰেনুকা দেৱী বৰকটকী :- ষ্টেট ট্ৰেদিং কৰপোৰেচনে আমাকো যোগান দিয়া নাই আৰু আন ৰাজ্যকো দিয়া নাই ?

শ্ৰীমহম্মদ ইদ্ৰিছ :- মন্ত্ৰী তেওঁলোকে যি বেচিচত দিছিল সেই বেচিচতে দি আছে।

## MATTER UNDER RULE 301

শ্ৰীসোনেশ্বৰ বৰা :- অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰি-চালনাৰ নিয়মাৱলীৰ ৩০১ নিয়ম অনুসৰি ৰাজ্যখনত সকলো জনসাধাৰণৰ মাজত উদ্বেগ সৃষ্টি কৰা বিষয়টোৰ আলোচনাৰ অৰ্থে আৰু যথা যথ উত্তৰ পাবৰ কাৰণে সদনত উত্থাপন কৰিলো। বিষয়টো যোৱা ১৯৭৪ চনৰ ৮ জানুৱাৰী তাৰিখে প্ৰকাশ পোৱা দৈনিক জনমভূমি কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

প্ৰকাশিত বাতৰিটো এই ১৯ হেজাৰ টকাৰ চিমেণ্ট উদ্ধাৰ।

উক্ত শিৰোনামাৰ বাতৰিটোয়ে ৰাজ্য জুৰি হোৱা চিমেণ্ট নাটনিৰ সাম্প্ৰতিক চৰকাৰী ব্যৱস্থাৰ এনে বিফলতাত ৰাইজৰ মাজত এক চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু বিষয়টো এক গুৰুত্ব ৰূপে ৰাজ্যখনত দেখা দিছে।

শ্ৰীবিষ্ণু প্ৰসাদ (ম): অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি শ্ৰীযুত সোনেশ্বৰ বৰা এম, এল, এ ডাঙৰীয়াই ৮ জুলাই তাৰিখে দৈনিক জনমভূমি কাকতত প্ৰকাশিত ১৯০০০ টকাৰ চিমেণ্ট উদ্ধাৰ ৰাতবিটোৰ সন্দৰ্ভত উত্থাপন কৰা বিষয়টোৰ সম্পৰ্কত মই জনাও যে এই সম্পৰ্কত এনে এটা বাতৰি অসম ট্ৰিবিউন আৰু দৈনিক অসম বাতৰি কাকততো ৮ জানুৱাৰী তাৰিখে প্ৰকাশ পাইছিল। এই সম্পৰ্কত সেই চিমেণ্টৰ ভৰাল দুটাৰ ভাৰপ্ৰাপ্ত উপ-সং মণ্ডল বিষয়া দুজনে সম্পাদকলৈ চিঠিৰ শিতানত এই তথ্যাদি ৰাইজৰ জ্ঞাতাৰ্থে ১২ জানুৱাৰী তাৰিখ অসম ট্ৰিবিউনৰ যোগেদি প্ৰকাশ কৰে কামৰূপ জিলাৰ উপায়ুক্তৰ পৰা ৮ জানুৱাৰী তাৰিখে পোৱা বাতৰি অনুসৰি বাননিয়ন্ত্ৰন বিভাগৰ ভৰাল দুটাৰ বহুদিন ধৰি কিছু চিমেণ্ট জমা হৈ থকা বুলি ৬ জানুৱাৰী তাৰিখে গধুলী কিছু স্থানীয় লোকৰ মাজত এটা গুজৱৰ সৃষ্টি হয়। এনে বাতৰি পাই আৰক্ষী কৰ্ত্তৃপক্ষই জিলা কৰ্ত্তৃপক্ষক জনোৱাত এজন মহকুমা দণ্ডাধিশক (কাৰ্য্যকৰী) (চাৰ-ডিভিজনেল মেজিষ্ট্ৰেত) ক এই বিষয়ে অনুসন্ধান আৰু বিহিত ব্যৱস্থা লবলৈ পথাই। সেই মূহুৰ্ত্তত ভৰালৰ ভাৰপ্ৰাপ্ত বিষয়া নথকা হেতুকে ভৰাল দুয়োটাৰে তলা ভাঙি চিমেণ্টৰ সংখ্যা গননা কৰি পুনৰ মোহৰ সহ তলা বন্ধ কৰি দিয়া হয় ৬ জানুৱাৰী তাৰিখে।

এই ভৰাল দুটা গুৱাহাটী মথাউৰী আৰু নলা প্ৰথা সংমণ্ডলৰ অন্তৰ্গত দুটা উপসংমণ্ডলৰ বিষয়া দুজনাৰ দায়িত্বত আছিল।

ইয়াৰ পিছত জিলা কৰ্ত্তৃপক্ষৰ পৰা ভৰাল দুটাৰ চাবিকাঠি ২ ফেব্ৰুৱাৰী তাৰিখে কাৰ্য্যবাহী অভিযন্তাক পুনৰ ঘূৰাই দিয়া হয়। গুৱাহাটী মথাউৰী আৰু নলা প্ৰথা সংমণ্ডলৰ অভিযন্তাই ভৰাল খুলি দুয়োটা গুদামতে সৰ্ব্বমুঠ ১৩৬১ বস্তা চিমেণ্ট পায়। ইয়াৰ ভিতৰত সম্পুৰ্ণ ভাবে গোটমৰা বস্তাৰ সংখ্যা ২৫৩ বস্তা পোৱা হয়। তাৰে সম্পূৰ্ণ ভাবে গোটমৰা চিমেণ্টৰ আৰু আংশিক ভাবে গোটমৰা চিমেণ্টৰ বস্তাৰ পৰিমান অভিযন্তা জনক

নির্ণয় কৰিবলৈ দিয়া হৈছে। এই দুয়োটা চিমেণ্ট ভৰালৰ যোগেদি যোৱা দবছৰত প্ৰায় ১৩০০০ বস্তা চিমেণ্টৰ আদান-প্ৰদান কৰা হয়।

১২ জানুৱাৰী তাৰিখে অসম ট্ৰিবিউন বাতৰি কাকতৰ যোগেদি জনোৱা হৈছিল যে আংশিক ভাবে গোটমৰা চিমেণ্টৰ বস্তাৰ সংখ্যা প্ৰায় ১৯৭ বস্তা আৰু সম্পূৰ্ণ গোটমৰা চিমেণ্টৰ বস্তাৰ সংখ্যা ৫৫ বস্তা। এই সংখ্যা কেন্দ্ৰীয় মথাউৰী আৰু নলাৰ উপ-সংমণ্ডল বিষয়াই ১৪।৩।৭৩ তাৰিখে কৰা আৰু গুৱাহাটী মথাউৰী আৰু নলা প্ৰথা সংমণ্ডলৰ উপ-সংমণ্ডল বিষয়াই ৩।১২।৭৩ তাৰিখে কৰা হিচাব পৰিদৰ্শনৰ ভিত্তিত দিয়া হৈছিল।

ইয়াৰ পৰা দেখা যায় যে নষ্ট হোৱা চিমেণ্ট বস্তাৰ অনুপাত শতকৰা প্ৰায় ১.৫ ভাগ। চিমেণ্ট জমা অৱস্থাত আংশিক পৰিমানে গোটমৰাটো অস্বাভাবিক নহয়।

বাননিয়ন্ত্ৰন সংমণ্ডলৰ গুৱাহাটীত থকা ভৰাল দুটাত গুৱাহাটী আৰু ইয়াৰ আশে পাশে হোৱা কামৰ কাৰণে আৰু ওচৰৰ অন্যান্য সংমণ্ডলৰ বাবে পঠিওৱাৰ কাৰণেও ৰখা হয়।

বাকী থকা চিমেণ্ট খিনি চান্দমাৰী আৰু উলুবাৰীত সাজিব লগীয়া বিভাগীয় আবাসিক আৰু কাৰ্য্যালয় গৃহৰ বাবে ৰখা হৈছিল। এই ভৰাল দুটাৰ পৰা তলত উল্লেখ কৰা। বিভিন্ন কাৰ্য্যৰ কাৰণেও পথিওৱা হয়।

৯/৫/৭৩ তাৰিখে / অস্থায়ী ৰাজধানী নিৰ্মানৰ কাৰণে ( লোন হিচাবে )/ ১০০০ বেগ ১৫/৫/৭২ ৰ পৰা

| | | |
|---|---|---|
| ২৮/৯/৭৩ তাৰিখে | ডেপুটি ডিৰেক্তৰ, চি, ডব্লিউ এণ্ড পি, চি | ৯০ বেগ |
| ১১/১/৭২/ ” | হাইড্ৰোলিক ৰেচাচ ডিভিজন | ১০০০ ” |
| ১১/১/৭২/ ” | নলবাৰী ই এণ্ডদি দিভিজন | ৩১০ ” |
| ১৮/৫/৭৩ ৰ পৰা | | |
| ৫/৬/৭৩ তাৰিখলৈ | ইৰিগেশ্যন দিপাৰ্টমেণ্ট | ১৩০০ বেগ |
| ১৪/৭/৭৩ ” | ভাস্কৰ বিদ্যাপীঠ | ১১০ ” |
| ১৭/১০/৭৩ ” | বৰপেটা ই এণ্ড দি দিভিজন | ২০০ ” |
| ৭/১২/৭৩ ” | ধুবুৰী ই এণ্ড দি দিভিজন | ২০০০ ” |

জনমভূমিত ওলোৱা বাতৰি মতে নষ্ট হোৱা চিমেণ্ট ১৩৬৪ বস্তা আৰু অসম ট্ৰিবিউন আৰু দৈনিক অসমৰ বাতৰি মতে ১৩৬৬ বস্তা। ১৩।২।৭৪ তাৰিখে কাৰ্য্যবাহী অভিযন্তাই ভৰাল খুলি পোৱা চিমেণ্টৰ সংখ্যা ১৩৬১ আৰু এই সংখ্যা দুয়োটা ভৰালৰ হিচাবমতে থাকিব লগা সংখ্যামতেই পোৱা হৈছে। প্ৰতি বস্তা চিমেণ্টৰ মূল্য বিভাগীয় ইচুৰেট মতে ১৪·৭০ পইছা। এই মতে আশিংক আৰু সম্পূৰ্ণ ভাৱে নষ্ট হোৱা চিমেণ্টৰ মূল্য প্ৰায় ৩০০০ টকা

ভালে থকা চিমেণ্টখিনি বিভাগৰ যাৱতীয় কাৰ্য্যত ব্যৱহাৰ কৰা হব। আৰু গোটমৰা চিমেণ্ট ব্যৱহাৰৰ উপযোগী হৈ আছে তাক নিদ্ধাৰণ কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হব। তাৰ বাবে আৱশ্যকীয় অনুসন্ধান কৰিবলৈ দিয়া হৈছে।

ওপৰত উল্লেখ কৰা চিমেণ্টখিনি অসমৰ বাহিৰৰ পৰা অনাৰ উপৰিও চেৰাপুঞ্জীৰ চিমেণ্ট কাৰখানাৰ পৰা অনা হৈছিল।

শ্ৰীসোনেশ্বৰ বৰা :- এই চিমেণ্টখিনি কি ধৰণে নষ্ট হ'ল ?

শ্ৰীবিষ্ণু প্ৰসাদ (ম :) :- অধ্যক্ষ মহোদয়; মোৰ বিবৃতিত মই সম্পূৰ্ণ ভাবে কৈছিলো যে চিমেণ্ট সম্পূৰ্ণ ভাৱে নষ্ট হোৱা নাই আৰু হিচাব কৰি দেখা গৈছে নষ্ট চিমেণ্টৰ পৰিমান শতকৰা ১·৫ ভাগহে হব আৰু যিবিলাক চিমেণ্ট গোট মাৰিছে বুলি কোৱা হৈছে সেই বিলাক ভবিষ্যতে কামত লগাব পৰা যাব। তাৰোপৰি যিমান বিলাক চিমেণ্ট জমা ৰখা হৈছে তাৰে ২।১ বস্তা গোট মৰা বা বেয়া হোৱাতো কোনো বিশেষ কথা নহয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :- বেয়া হোৱা বা গোট মৰা চিমেণ্টৰ পৰিমাণ বেচি নহয় বুলি কৈছে কিন্তু আমি জানিব পাৰোনে এই চিমেণ্ট কাৰ দোষত বা কোনে বেয়া কৰিলে সেই বিষয়ে জনাবনে ?

শ্ৰীবিষ্ণু প্ৰসাদ :- যি জন উপসংলগুলৰ বিষয়াৰ দায়িত্ব আছিল তেখেতে সেই বিষয়ে বিৱৰণী দিয়ে আৰু কাৰ্য্যবাহী অভিযন্তাও যিমান খিনি চিমেণ্ট থাকিব লাগে সিমানখিনি চিমেণ্ট পাইছে মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো হ'ল যে গুদামত ৰাখোতে

২।৩ বস্তা বেয়া হোৱাতো একো ডাঙৰ কথা নহয়। এই বিষয়ে মই আগতে বিবৃতিত কৈছো।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :- শতকৰা ১'৫ বস্তা মানে কিমান পৰিমাণ হব?

শ্ৰীবিষ্ণু প্ৰসাদ (ম) :- মই যি গোট মৰাৰ কথা কৈছোঁ তাৰ ভিতৰত ২৩৩ বস্তা মাত্ৰ আংশিক ভাৱে গোট মাৰিছে, গতিকে গোটেই কথাটো ইতিমধ্যে অনুসন্ধান কৰিবলৈ দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :- আমাৰ এযাৰ কথা আছে যে কম চোতালত কম জাবৰ সৰহীয়া চোতালত সৰহীয়া জাবৰ। থিক সেই দৰে ২৩৩ বস্তা চিমেণ্টৰ কথাই নাই এক বস্তা চিমেণ্ট নষ্ট হলেও আমি বহুত নষ্ট হোৱা বুলি ভাবো। কিন্তু মই জানিব বিচাৰিছো যে যি ২৩৩ বস্তা চিমেণ্ট গোট মাৰিলে সেই বিলাক একেটা দমতে দমায় থোৱা চিমেণ্ট নে মাজে মাজে গোট মৰা চিমেণ্ট?

শ্ৰীবিষ্ণু প্ৰসাদ :- এই কথাটো মোৰ বক্তব্যতে কৈ আহিছো।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী :- অনুসন্ধান কৰি থকা হৈছে?

শ্ৰীবিষ্ণু প্ৰসাদ :- এই ২৩৩ বস্তাৰ ভিতৰত কিমান কামত লগাব পাৰি তাকে এজন কাৰ্য্যবাহী অভিযন্তাক অনুসন্ধান কৰিবলৈ দিয়া হৈছে।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী :- কি অনুসন্ধান কৰিবলৈ দিছে? নষ্ট হোৱা চিমেণ্ট বিলাক কামত লগাব পাৰিনে নোৱাৰি এইটো অনুসন্ধান নে কাৰ দোষত এই চিমেণ্ট বিলাক নষ্ট হবলৈ পালে সেইটো অনুসন্ধান?

শ্ৰীবিষ্ণু প্ৰসাদ :- নষ্ট হোৱা চিমেণ্ট বিলাক কামত লগাব পাৰিনে নোৱাৰি সেইটো অনুসন্ধান কৰিবলৈ দিয়া হৈছে।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী :- কাক অনুসন্ধান কৰিবলৈ দিছে?

শ্ৰীবিষ্ণু প্ৰসাদ :- এজন কাৰ্য্যবাহী অভিযন্তাক।

## ANNOUNCEMENT BY THE SPEAKER

Mr. Speaker— Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative

Assembly, I called a meeting of the Business Advisory Committee on 13th February, 1974 in my Chamber at Dispur. The Committee discussed about the Secret Session of the Assembly and after discussion it is decided to sit on Monday, the 18th February, 1974 from 6 P. M. to 8 P. M. with provision to extend upto 9 P. M.

I hope this has the approval of the House.

( Voices—Yes. )

The hon'ble Members are already aware that there will be a secret sitting of the Assembly from 6 P. M. to 8 P. M. on Monday, the 18th February, 1974. During the secret sitting no person including the Official Reporters, Press Reporters and the Officials of the Assembly Secretariat except the Secretary and Deputy Secretary, Assam Legislative Assembly shall be allowed to be present in the Chamber, Lobby and Galleries. All Galleries will be kept closed. The microphone system will also not function. The order paper will be distributed to the hon'ble Members in the House immediately before the commenchment of the secret sitting.

## DISCUSSION UNDER RULE 50

ডাঃ ৰবীন গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়ম অনুসৰি জনসাধাৰণৰ অতি গুৰুত্বপূৰ্ণ বিষয় "খেলা ধূলাৰ ক্ষেত্ৰত চৰকাৰী সাহাৰ্য্য আৰু পৃষ্ঠপোষকতা" বিষয়টো আলোচনা কৰিবলৈ মুকলি কৰিছো।

অসম বিধান সভাৰ মই এজন নতুন সদস্য। পোন প্ৰথম বাৰৰ কাৰণে আজি সদনত খেলা ধূলাৰ কাৰণে এটা আলোচনা মুকলি কৰিবলৈ দিয়াৰ কাৰণে অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো।

খেলা ধূলা আমাৰ বাইজৰ এটা অবিচ্ছেদ্য অংগ। আমি যিখন

ৰাজ্যতেই বসবাস নকৰো, কিন্তু খেলা ধূলা সকলোৰে কাৰণে অপৰিহাৰ্য্য। খেলা ধূলাক কোনেও বাদ দিব নোৱাৰে। আন দেশ বিলাকত খেলা ধূলাৰ বিষয়ত চৰকাৰৰ বিশেষ গুৰুত্বাৰোপ কৰিছে। আমেৰিকা যুক্তৰাজ্য, ফ্রেন্স, গ্রেটবৃটেন আদিত খেলা ধূলাৰ কাৰণে চৰকাৰে যথেষ্ট টকা ব্যয় কৰি আহিছে। চোভিয়েট ইউনিয়ন, চাইনা আদি সাম্যবাদী দেশ বিলাকতো আন আন বিষয় বিলাকৰ দৰে খেলা ধূলা বিষয়টোৰ চৰকাৰে নিজে নিজে বহন কৰিছে। চৰকাৰে নিজৰ তত্বাৱধানত এই খেলা ধূলাৰ বিষয়টো পৰিচালনা কৰাৰ বাবে এই সাম্যবাদী দেশ বিলাকত খেলা ধূলাৰ ক্ষেত্ৰত উৎকৰ্ষতা সাধন লাভ কৰিব পাৰিছে। আৰু তাৰ কাৰণেই মিউনিকত হোৱা অলিম্পিক প্ৰতিযোগিতাত চোভিয়েট ইউনিয়নে সৰ্ব্বাধিক সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। অসম চৰকাৰেও খেলা ধূলাৰ ক্ষেত্ৰত অংশ গ্ৰহণ কৰিছে। কিন্তু এই খেলা ধূলাৰ ক্ষেত্ৰত অসম চৰকাৰে যি পৰিমাণে অংশ গ্ৰহণ কৰিব লাগে সেই পৰিমাণে অংশ গ্ৰহণ কৰা নাই। এইটো অপ্ৰিয় হলেও সত্য যে অসমৰ খেলা ধূলাৰ মানদণ্ড সৰ্বভাৰতীয় মানদণ্ডৰ তুলনাত হতাশজনক। আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগীতা বিলাকত অন্যান্য ৰাজ্য বিলাক যি গতিত আগবাঢ়িছে সেই ক্ষেত্ৰত অসমৰ মানদণ্ড ক্ৰমে ক্ৰমে নিম্নগামীহে হৈছে। কিন্তু আমাৰ এইটো দৃঢ় বিশ্বাস আছে যে সুযোগ সুবিধা আৰু উপযুক্ত প্ৰশিক্ষণ পালে আমাৰ লৰা ছোৱালীয়ে ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় সন্মান অৰ্জন কৰিবলৈ সমৰ্থবান হব। উদাহৰণ স্বৰূপে আমাৰ চৰকাৰৰ মন্ত্ৰী পৰিষদৰ এজন সদস্য শ্ৰীচৈয়দ আহমেদ আলি এসময়ত কলিকতাৰ প্ৰথম শাৰীৰ ফুটবল খেলুৱৈ আছিল। সেইদৰে শৰত দাসেও সৰ্বভাৰতীয় ফুটবল খেলত নাম কৰি গৈছে। অৱশ্যে এই বিলাক কথা এতিয়া স্মৃতিৰ পৰা আৰ হৈ যাব ধৰিছে। অসমৰ ডেকা শ্ৰীভোগেশ্বৰ বৰুৱাই এচিয়ান গেমচত যি সাফল্য অৰ্জন কৰিলে সেইটো গোটেই অসম বাসীৰে গৌৰৱৰ বিষয়। সেইদৰে চাহ বাগিছাৰ বনুৱাৰ লৰা মাইকেল কিলুৱে এসময়ত অৰ্জুণ বঁটা লাভ কৰিবলৈ সমৰ্থবান হৈছিল।

At 10.45 A.M. Mr. Speaker vacated the Chair and Smti Renuka Devi Barkataki to the Cnair.

মিঃ স্পীকাৰ: ন কোৰাম [কোৰাম হোৱাত আকৌ আৰম্ভ]

ডঃ ৰবীন গোস্বামী: ইয়াৰ পাচত মই কব বিচাৰিছো যে অসমীয়া ছোৱালী শ্ৰীমতী চোচান দাসে ৰাষ্ট্ৰীয় টেনিচ প্ৰতিযোগীতাত টিপল ক্ৰাউন লাভ কৰিবলৈ সমৰ্থ হৈছে। এইবাৰ ৰাষ্ট্ৰীয় এথলেটিক প্ৰতিযোগীতাত অসমৰ লৰা ছোৱালীয়ে যি সন্মান লাভ কৰি আহিছে সেইটো সচাকৈ গৌৰবৰ বিষয়। গতিকে এইবিলাকেই প্ৰমাণ কৰে যে আমাৰ লৰা ছোৱালীয়ে সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰিবলৈ যুগ্যতাৰ অভাব নাই, অভাব মাত্ৰ প্ৰয়োজনীয় সা-সুবিধা আৰু প্ৰশিক্ষণৰ। আমাৰ চৰকাৰৰ এই ক্ষেত্ৰত প্ৰণালীবদ্ধ পৰিকল্পনাৰ অভাব আৰু সংয়মতে সা-সুবিধা নিদিয়াৰ ফলত খেলা ধূলাৰ প্ৰতিভা আৰু যোগ্যতা নাইকীয়া হৈ যাব ধৰিছে। এখন দেশৰ এটা জাতি গঢ় দিয়াৰ ক্ষেত্ৰত খেলা ধূলাৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। আৰু এই ক্ষেত্ৰত চৰকাৰে বৰঙণী যোগোৱাৰো এটা দায়িত্ব আছে। এই দায়িত্বৰ পৰা চৰকাৰ এৰাই যাব নোৱাৰে। ১৯৬৪ চনতে অসম চৰকাৰে ৰাজ্যিক ক্ৰিয়া বিভাগ এটা খুলিছিল। এই ক্ৰিয়া বিভাগৰ সঞ্চালকৰ কাৰ্য্যকাল শেষ হোৱাৰ পিচত ১৯৬৭ চনৰ পৰাই সেই বিভাগটোৰ কোনো সঞ্চালক নিযুক্তি দিয়া নাই। এই বিভাগটো ৰাজ্যিক শিক্ষা বিভাগৰ যুটীয়া সঞ্চালকৰ তলত ৰাখি থৈছে। আমাৰ চৰকাৰে এই বিভাগটোক সক্ৰিয় কৰি তুলিবই লাগিব। এই বিভাগটোক সক্ৰীয় কৰি তুলিব পাৰিলে এই বিভাগৰ ভৱিয়তে সুস্থ সবল নাগৰিক গঢ় দিব পৰা হব। আৰু এই বিভাগটো সক্ৰিয় কৰিবলৈ হলে অতি সোনকালে এই বিভাগটোত এজন সঞ্চালকৰ নিযুক্তি দিব লাগিব। ইয়াৰ বাবে আন আন যি বিলাক সা-সুবিধা লাগে সেই সকলো বিলাক সা-সুবিধা দিব লাগিব। আৰু সঞ্চালক জন বিভিন্ন কাম কাজত সহায় কৰিবৰ বাবে জিলা পৰ্য্যায়ত এজন বিষয়াৰ নিযুক্তি দিব লাগিব। ১৯৫৬ চনতেই ৰাজ্যিক ক্ৰিয়া পৰিষদ গঠন হল।

এই পৰিষদক চৰকাৰে যি সাহাষ্য দিয়ে সি নিচেই কম। অন্যান্য ৰাজ্যত এইবিলাক পৰিষদক ৰাজ্যচৰকাৰ সমূহে ৭।৮ লাখ টকা দিয়ে। অসমৰ কাৰণে কেৱল ১ লাখ টকা দিয়া হয়। মই চৰকাৰক অনুৰোধ কৰিছো ৰাজ্যিক চৰকাৰৰ অনুদান যাতে তিনি লাখ টকা কৰা হয় আৰু লগতে এই পৰিষদখন কৰ্ম্মক্ষম কাৰ্যাক্ষম শক্তিশালী কৰিবৰ কাৰণে পৰিষদৰ যি নিয়মাৱলী তাৰ পৰিবৰ্ত্তন আৰু সংশোধন কৰিবৰ কাৰণে অনুৰোধ কৰিলো আৰু পৰিষদত এজন বেতন দিয়া সম্পাদক নিয়োগ কৰিব লাগে। এই পৰিষদে যিবিলাক অনুষ্ঠান সমূহে আৰ্থিক অনুদান পোৱাৰ পিচত পূৰ্ণ হিচাব দাখিল কৰাৰ যিটো নিয়ম আছে সেই নিয়ম কটকটীয়া কৰিব লাগে। উপাধ্যক্ষ মহোদয়, এইটো এটা দুখৰ কথা যে আজিকালি আমাৰ স্কুল কলেজৰ ছাত্ৰ ছাত্ৰী সমূহৰ খেল-ধেমালীৰ প্ৰতি আগ্ৰহ আৰু আকৰ্ষণ আগতকৈ কমি আহিছে। ধনৰ অভাৱত আৰু তাৰ প্ৰাপ্ত শিক্ষক শিক্ষয়ত্ৰীৰ অভাবত স্কুল কলেজত থকা খেলা ধূলা সুবিধা সুযোগ ক্ৰমে সংকোচিত হৈ আহিছে। সেইকাৰণে চহৰ আৰু নগৰত বিদ্যালয় বিলাকত খেলা-ধূলাৰ প্ৰতি অগ্ৰহ থকা উপযুক্ত শিক্ষক উপৰঞ্চি বাঁনচ দি নিযুক্তি দিব লাগে। স্কুল আৰু কলেজৰ দুই এজন শিক্ষকক বিশেষ বৃত্তি দি অসমৰ বাহিৰলৈ খেলা-ধূলাৰ বিষয়ত প্ৰশিক্ষণ আৰু শিক্ষা দিবলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ যি বিলাক স্কুল টুৰ্ণামেণ্টত যোগদান কৰা ছাত্ৰ-ছাত্ৰী সকলৰ সদভাৱ সহযোগিতা আৰু ভ্ৰাতৃত্বৰ ভাব গঢ়ি তুলিব লাগিব। গতিকে এই টুৰ্ণামেণ্ট সমূহ জাতীয় চৰিত্ৰ গঠনত আৰু খেলাৰ মানদণ্ড বৃদ্ধি কৰাত সহায় কৰিব পাৰে। আমাৰ স্কুল টুৰ্ণামেণ্টৰ যি প্ৰতিশ্ৰুতি কৰা হৈছে এই টুৰ্ণামেণ্ট সেই উদ্দেশ্য পূৰণ কৰিব পৰা নাই। আমাৰ স্কুল সমূহৰ টুৰ্ণমেণ্টৰ যিটো পৰিচালনা সি এুটিপূৰ্ণ। সেই কাৰণে মই অনুৰোধ কৰো যে স্কুল টুৰ্ণামেণ্ট পৰিচালনাৰ ক্ষেত্ৰত চৰকাৰে এখন কাৰ্য্যকৰী আচনি গ্ৰহণ কৰিব লাগে যাতে প্ৰথমতে মহকুমা পৰ্য্যায়ত পিচত জিলা ভিত্তিত আৰু সৰ্বশেষত ৰাজ্যিক ভিত্তিত নিয়মিতভাৱে কৰিব লাগে। জিলা ভিত্তিত যি সকল ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাই তেওঁলোকক বিশেষ

বৃত্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে খেল-ধেমালীৰ মানদণ্ড উন্নত কৰিবলৈ আৰু ছাত্ৰ-ছাত্ৰী সমূহক উপযুক্ত ভাৱে গঢ়ি তুলিবলৈ খেল পথাৰৰ সুব্যৱস্থা কৰাতো এটা প্ৰধান কাম। কিন্তু এই বিষয়ত অপেক্ষা কৰি থকাৰ ফলত এটা গুৰুতৰ পৰিস্থিতি সৃষ্টি হৈছে। আমাৰ গাওঁ অঞ্চলৰ কথা বাদ দি নগৰ অঞ্চলৰ স্কুল কলেজত খেল পথাৰ নাই। আনকি জিলা ক্ৰিয়া সন্থাবোৰৰ খেল পথাৰ নাই। আজি-কালি খবৰ কাগজত দেখিবলৈ পাইছো যে চহৰ আৰু নগৰ অঞ্চলত মুকলি ঠাইৰ অভাৱ হৈ আহিছে। এই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি এতিয়া স্কুল কলেজ সমূহ চৰকাৰৰ তৰফৰ পৰা খেলা ঠাই সংৰক্ষণ কৰিব লাগে। আমাৰ খেলপথাৰ লাগে, খেল-ধেমালীৰ সুযোগ সুবিধা লাগে। ৰাজ্যিক ক্ৰিয়া পৰিষদৰ প্ৰশিক্ষকৰ অভাৱ। সেই কাৰণে প্ৰশিক্ষক অসমৰ বাহিৰৰ পৰা আনিব লাগে। পাতিয়ালাত ভাৰতৰ অন্যান্য ৰাজ্যৰ মানুহ গৈ খেল ধেমালীৰ প্ৰশিক্ষণ লৈ উভতি আহি নিজ ৰাজ্যত প্ৰশিক্ষণ দিয়াৰ উপৰিও আন ৰাজ্যত প্ৰশিক্ষকৰ কাম কৰে। আমাৰ ইয়াত প্ৰশিক্ষকৰ অভাৱ সেই কাৰণে পাতিয়ালাত খেল-ধেমালীৰ ক্ষেত্ৰত প্ৰশিক্ষণ লবলৈ যিটো টকা খৰছ হব তাতোতকৈ অধিক সাহায্য আগবঢ়োৱা উচিত। আমাৰ গাৱঁত শতকৰা ৯২ জন লোক বাস কৰে। এইলোক সকলে খেলা ধূলাৰ সা-সুবিধা উপভোগ কৰিব পৰা নাই। সেইকাৰণে গ্ৰাম্যক্ৰিয়া কেন্দ্ৰ কৰি গ্ৰাম্যক্ৰিয়া প্ৰতিযোগিতাৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ কাৰণে অধিক সাহায্য আগবঢ়োৱা উচিত। এইখিনিতে উল্লেখ কৰিব খুজিছো যে ১৯৭২ চনত গ্ৰাম্যক্ৰিয়া কেন্দ্ৰৰ কাৰণে যিখিনি খৰচ ৰাজ্যিক চৰকাৰে বহন কৰিব লাগিছিল সেইখিনি খৰচ বহন নকৰাৰ কাৰণে ভাৰত চৰকাৰে দ্বিতীয় কিস্তিৰ টকা নিদিলে। ভৱিষ্যতে যাতে তেনে হবলৈ নাপায় তাৰ প্ৰতি মই সতৰ্ক থাকিবলৈ চৰকাৰক অনুৰোধ কৰিছো।

(At 10-52 A.M. Smti Renuka Devi Barkataky, Chairman vacated the chair, and Mr. Deputy Speaker occupied it.)

সৰ্ব্বশেষত মই কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। প্ৰথম হল ৰাজ্যিক পৰিবহন নিগমৰ বাছত যিবিলাক খেলুৰৈ দল ভ্ৰমণ কৰে তেওঁলোকক ৰেহাই দামত ভ্ৰমণ কৰিবলৈ সুবিধা দিব লাগে। খেলাৰ কাৰণে ৰেহাই দামত স্কুল কলেজসমূহত বিদ্যুৎশক্তি যোগান ধৰিব লাগে। তৃতীয়তে আমাৰ অসমত স্থানীয়ভাবে খেলা-ধুলাৰ সামগ্ৰীসমূহ নিৰ্ম্মাণ কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। মোৰ শেষ পৰামৰ্শ হল বিভিন্ন ৰাজ্যত পৃথক ক্ৰিয়া দপ্তৰ কৰি খেলা-ধুলাৰ উন্নতি সাধনৰ কাৰণে ৰাজ্যিক চৰকাৰে প্ৰচেষ্টা চলাইছে। সৌ সিদিনা পূৰ্ণ ৰাজ্য হিচাবে গঠিত হোৱা মেঘালয়ত এটা সুকীয়া পৃথক ক্ৰিয়া দপ্তৰ আছে। মই আশা কৰো অসম চৰকাৰে এটা সুকীয়া ক্ৰিয়াদপ্তৰ খুলি খেলাধুলাৰ মানদণ্ড উন্নয়ন কৰাত ব্ৰতী হব।

শ্ৰীদুলাল বৰুৱা :—মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই যিটো আলোচনা সদনত উত্থাপন কৰিছে সেইটো যথাযোগ্য সময়োপযোগী হৈছে বুলিয়েই মই দুষাৰ কথা কবলৈ আগবাঢ়িছোঁ।

অসম দেশত যেতিয়া এটা সময় আছিল যি সময়ত চৰকাৰৰ ফালৰ পৰা কোনো সাহায্যমূলক ব্যৱস্থা নোলোৱা স্বত্বেও অসম দেশে খেলা-জগতত অসম দেশৰ পৰা বাহিৰত গৈ সুনাম অৰ্জন কৰি অহা কথা আপুনি জানে। মোৰ স্কুলীয়া জীৱনৰ কথা মনত পৰে—আমি চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ সহায় সাহায্য নোপোৱা স্বত্বেও আমাৰ সম-সাময়িক বহুত কেইজন লোকে খেল জগতত যথেষ্ট সুনাম অৰ্জন কৰিছিল। এই সম্পৰ্কত ভাৰতবৰ্ষত আগতে ডঃ টি, এন, আও এজন উল্লেখযোগ্য খেলুৰৈ আছিল। তাৰ পাছত শ্ৰীগোস্বামী ডাঙৰীয়াই উল্লেখ কৰা ভালে কেইজন লোকে ক্ৰিয়াজগতত অসমৰ বুৎপত্তি লাভ কৰিছিল। কিন্তু সেই সময়ছোৱাত চৰকাৰৰ ফালৰ পৰা বিশেষ ব্যৱস্থা নথকাত তেওঁলোকে বাহিৰৰ খেলা জগতত সকলো সুবিধা নাপালে। কিন্তু আজি বৰ দুখৰ বিষয় স্বাধীনতাৰ ২৬ বছৰ পাছতো আজিলৈকে অসম চৰকাৰে খেল জগতত যিবিলাক ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা

লব লাগে—সেইবিলাক ব্যৱস্থা লৈ আমাৰ খেলুৱৈসকলক সহায় সুবিধা দি উৎসাহ দিয়া আমি দেখিবলৈ পোৱা নাই। মাত্ৰ আমি দেখিছো কেতিয়াবা দুই এখন খেলৰ বাবে হয়-নহয় দুই এদিন চৰ্চ ফিল্ডত কচ্চিং কৰি বাহিৰলৈ পঠাই দিয়ে ফলত বাহিৰত কি নাম অৰ্জন কৰে সেইটো উপাধ্যক্ষ মহোদয়, আপুনি নিজেই জানে।

এই সম্পৰ্কে আমি দেখিবলৈ পাইছো উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগত অসমে প্ৰতিযোগিতা কৰিবলৈ সমৰ্থ হৈছে। আপুনি জানে—আমি যি সময়ত চৰকাৰৰ ফালৰ পৰা কোনো যত্ন নোলোৱা স্বত্বেও ভাৰতৰ খেল জগতত আমাৰ অসমৰ যুৱক-যুৱতীয়ে সুনাম অৰ্জন কৰিব পাৰিছে—তেনে অৱস্থাটো চৰকাৰৰ ফালৰ পৰা কিয় আজিলৈকে ব্যৱস্থা লব নোৱাৰিলো—সেই কথা মই বুজি পোৱা নাই। আগতে আমাৰ যিজন স্পৰ্টচ ডিৰেক্টৰ আছিল তেওঁ খেলা-ধুলাবিলাক ভালকৈ পৰিচালনা কৰিছিল। কিন্তু চৰকাৰে কি মন কৰিলে জানো এতিয়া সেই সঞ্চালক জনকতাৰ পৰা গুচাই খেলপথাৰৰ উন্নতি কি কাৰণে কৰিব বিচাৰিছে মই বুজি পোৱা নাই।

আজি অসমত ভাল ভাল ফুটবল খেলুৱৈ, ক্ৰীকেট খেলি চম্পিয়নচিপ অৰ্জন কৰা লৰা আছে—তেওঁলোকে চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ উৎসাহ বা অৰ্থ সাহায্য নোহোৱাকৈয়ে অসমৰ খেলা জগতৰ উপৰিও ভাৰতবৰ্ষৰ বিভিন্ন খেলা জগতত সুনাম অৰ্জন কৰি আছে। কিন্তু তেওঁলোকে আজিলৈকে চৰকাৰৰ ফালৰ পৰা কোনো সহায় পোৱা নাই। গতিকে তেওঁলোকক অধিক উৎসাহ দিবলৈ মই আপোনাৰ যোগেদি চৰকাৰক অনুৰোধ কৰিলোঁ।

উপাধ্যক্ষ মহোদয়, আপুনি অলিম্পিকত দেখিব অসম সদায় বাদ পৰি যায়। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত পাঞ্জাৱ, হাৰিয়ানাই এই ক্ষেত্ৰত সদায় অগ্ৰাধিকাৰ লয়। কাৰণ পাঞ্জাৱ, হাৰিয়ানা চৰকাৰে খেলা ধূলাৰ ক্ষেত্ৰত যিখিনি বিহিত ব্যৱস্থা লৈছে, লৰা-ছোৱালী বিলাকক প্ৰাইমাৰী স্কুলৰ পৰা শিক্ষাৰ এটা পাঠ যুগুত কৰি শিকায় ফলত

সুখ্যাতি লাভ কৰিবলৈ যথেষ্ট সা-সুবিধা পাইছে। কিন্তু আমাৰ চৰকাৰৰ সেই ক্ষেত্ৰত কোনো নাম গোন্ধ নাই। খেলপথাৰত গৈ ক্ৰিকেট আদি খেল উদ্বোধন কৰাৰ বাহিৰে আজিলৈ আমাৰ চৰকাৰে খেল জগতত আৰু একো অৰিহণা যোগাব পৰা নাই। উদাহৰণ স্বৰূপে আজি নেহৰু ষ্টেডিয়ামত যিমানবিলাক টকা পইচা দি থাকিলেই আমাৰ খেল জগতৰ উন্নতি নহয়। অক্ষল তেলিৰ মূৰত তেল দিলেই নহব। মন্ত্ৰী মহোদয়ে নিজে স্বীকাৰ কৰিছে যে নেহৰু ষ্টেডিয়ামত যিমান টকা দিয়া হৈছে তাৰ কোনো হিচাব পত্ৰ নাই। এই ষ্টেডিয়ামত মল্লযুদ্ধকে আৰম্ভ কৰি বহুত যুদ্ধ হয় সেই বিলাকতো পাব্লিক মানি, সেই বিলাকৰ হিচাব পত্ৰ দিয়া দৰকাৰ। এই ষ্টেডিয়ামৰ কাৰণে লটাৰীৰ টকা কাঢ়ি আনিও দিলে কিন্তু আজি সি অৰ্দ্ধনিৰ্ম্মিত অৱস্থাতে আছে। আনহাতে আমাৰ যোৰহাট যিখন ষ্টেডিয়াম সেই ষ্টেডিয়ামৰ যি সকল হৰ্তাকৰ্তা সেই সকলে গাদী ত্যাগ নকৰে। এই ষ্টেডিয়ামলৈ কেন্দ্ৰীয় চৰকাৰে ১৯৬০ চনতে ৮৫ নে ৭৫ হাজাৰ টকা দিলে কিন্তু আজিলৈ তাৰ কোনো হিচাব দিয়া নাই। ফলত এতিয়া কেন্দ্ৰীয় চৰকাৰে অনুদান দিয়া হৈছে। ৰাজ্য চৰকাৰলৈ বহুতবাৰ আবেদন নিবেদন কৰা হৈছে, আচনি আদি তৈয়াৰ কৰিও দিয়া হল কিন্তু আজিলৈ কোনো বিহীত ব্যৱস্থা লোৱা নাই। আনহাতে আমি দেখিবলৈ পাইছো শিক্ষা মন্ত্ৰীয়ে নিজেও জানে, তেখেত আৰু মই কটন কলেজত পঢ়ি থকা অৱস্থাত চাৰ্চফিল্ডৰ ওচৰত সেই সৰু ঘৰটোতে সেই সকজামেৰে এতিয়াও চলি আছে তাৰ কিবা উন্নতি হৈছে বুলি কোনেও কব নোৱাৰে। ১৯৫০-৫১-৫২ চনতে খেলাৰ যি সামগ্ৰী দেখিছিলো আজিও সেই ধৰণে চলি আছে।

আমি খেল পথাৰৰ ক্ষেত্ৰতো দেখিছো ৰাজনীতিৰ মেৰপাক চলিয়ে আছে। আজি যি নুৰুল আমিনক ভাৰতবৰ্ষ কিয় বিশ্বতে জানে আজি অসমৰ মানুহে তেওঁৰ নাম নাজানে। এইটো বৰ দুখৰ কথা। কেতিয়াবা গৈ খেলপথাৰত এবাৰ দেখা দিলেই খেল জগতৰ উন্নতি নহয়। এই ৰাজনৈতিক কাৰণ নিহীত হৈ থকাৰ কাৰণেই যিটো পোৰ্টচ ডিৰেক্টৰেট

আছিল তাৰ কাৰ্য্যকৰী ব্যৱস্থা নহোৱাত আজি ৰাজ্যখনত এই ব্যৱস্থা ব্যৰ্থ হৈছে। আমাৰ কাম সকলো কাগজে পত্ৰই থাকে। গতিকে মই মাননীয় শিক্ষা মন্ত্ৰী আৰু মুখ্য মন্ত্ৰীৰ পৰা পষ্টকৈ জানিব বিচাৰো যে তেখেত সকলে আমাৰ লৰা-ছোৱালীয়ে খেল জগতত বুৎপতি লাভ কৰিবলৈ চিন্তা কৰিছে নে? যদি কৰিছে কেনে ধৰণে কৰিছে? আৰু যদি নাই কৰা কিয় নাই কৰা? আজি আমাৰ শিক্ষাৰ ক্ষেত্ৰত কোনো পৰিপক্ক আচনি নাই কাৰণেই এই অৱস্থাৰ সৃষ্টি হৈছে। যিবিলাক এডভাঞ্চ দেশ আছে যেনে ৰাচিয়া আদি দেশে তেওঁলোকৰ লৰাছোৱালী বিলাকক চিভিলাইজ প্লাচ বুলি ধৰে। সৰুৰে পৰা তাত লৰা ছোৱালী বিলাকক খেলা-ধূলাৰ বাবে সকলো ধৰণৰ শিক্ষা দিয়াৰ ব্যৱস্থা আছে। কিন্তু আমাৰ দেশত নাই আমাৰ দেশত গণতান্ত্ৰিক দেশ বুলিবলৈ যিটো বেচিক দিব লাগে সেইটো নাই। আজি লৰা-ছোৱালী বিলাকৰ কাৰণে এনেকুৱা আচনি থকা হলে তেওঁলোকে আত্মনিযুক্তি হোৱাৰ কথা চিন্তা কৰিলে হেতেন কিন্তু নহোৱাৰ কাৰণে তেওঁলোকে চাকৰী বিছাৰি এম এল এ বা মন্ত্ৰীৰ গালিখাহ পিচে পিচে ঘূৰি ফুৰিব লগা হৈছে। গতিকে জাতিৰ যি মেৰুদণ্ড তেওঁলোকৰ কাৰণে এই ধৰণৰ আচনি কৰিবলৈ আমি দাবী জনাইছো। তাৰ কাৰণে আমাৰ যি সকল এই বিষয়ৰ অভিজ্ঞ শিক্ষক তেওঁলোকক অন্তত: ৩ মহীয়া বা ৪ মহীয়া প্ৰশিক্ষনৰ ব্যৱস্থা কৰি এই শিক্ষা স্কুল বিলাকত বাধ্য তামূলক শিক্ষা প্ৰচলন কৰিব লাগে। অন্তত: বেছিকৈ নোৱাৰিলেও বেটচ বাই বেটচ আনি এই প্ৰশিক্ষনৰ ব্যৱস্থা কৰিব লাগে। অন্তত: ভাল প্লেয়াৰ নহলেও কিছু শিক্ষা আহৰন কৰা উচিত।

আৰু আমি চাব লাগে আমাৰ লৰা-ছোৱালীৰ খেলা-ধূলাৰ প্ৰতি কেনেকৈ আগ্ৰহ উপজিব পাৰে। সেই কাৰণে মই ভাবো খেলা-ধূলাৰ প্ৰতি লৰা-ছোৱালীৰ ইনকিউচন যাতে সৰুৰে পৰা হয় এই কথাটো ভালকৈ চাব লাগিব। আনহাতে খেলা-ধূলাৰ ক্ষেত্ৰত যিবিলাক গ্ৰাণ্ট দিয়া হয় সেইবিলাক যিকোনো অনুষ্ঠানৰ বাবে যথেষ্ট নহয়। অকল গ্ৰাণ্ট দিলেই নহয়, সেইবিলাক ভালদৰে কামত খটুৱাইছে নে নাই

সেইটোও চাব লাগিব। মই যোৰহাট বাসী হৈ নিজেই লজ্জিত হৈছো যে সেই ঠাইৰ বাবে যিখিনি টকা-পইচা দিয়া হৈছিল তাৰ হিচাব আজিলৈকে দিয়া নাই আৰু তাৰ ওপৰত আমি কোনো প্ৰকাৰৰ ব্যৱস্থা লব পৰা নাই। এই বিষয়ে চৰকাৰে স্পৰ্ণ এচ'চিযেচনক নিদি চৰকাৰে নিজৰ হাতলৈ আনি ষ্টেডিয়ামৰ ব্যৱস্থা কৰিব লাগে। We should not concentrate the sports fields only in the town গতিকে খেলা-ধূলাৰ বিষয়টো সকল নগৰ অঞ্চলতে আবদ্ধ নাৰাখি গাওঁ-অঞ্চললৈয়ো এই বিষয়টো বিয়পাব লাগে কেতিয়াবা গুৱাহাটীত, কেতিয়াবা নগাওঁত আৰু কেতিয়াবা যোৰহাট ডিব্ৰুগড়ত চাব ডিভিজন পতি খেলাৰ ব্যৱস্থা কৰাৰ কাৰণে এই বিষয়টো গাওঁ অঞ্চলৰ কাৰণে অৱহেলিত হৈ পৰিছে। গতিকে মই ভাবো গাওঁ লেভেলতো একোখনকৈ ষ্টেডিয়াম পাতি তাৰ জৰিয়তে লৰা-ছোৱালীক খেলা-ধূলাৰ প্ৰতি আগ্ৰহশীল কৰি তুলি লৈ এখন আচঁনি চৰকাৰে গ্ৰহণ কৰিব লাগে। উপাধ্যক্ষ মহোদয়, মই নিজে খেলুৱৈ নহয়, তথাপি যিটো ভাল বুলি ভাবিছো তাৰ পৰাই তুআষাৰ কথা কৈছো আজি আমাৰ অসম দেশখনে কোনো ফালেই উন্নতি কৰিব পৰা নাই, অৰ্থনীতিৰ ফালৰ পৰা আমি অতি পিচপৰি আছো। এই দিশত আগবাঢ়িবলৈ আমাক আৰু পোন্ধৰ বছৰ লাগিব গতিকে আমি নিজে যিখিনি কৰি লব পাৰো সেইখিনিও আজি আমি কৰি লোৱা নাই। অলপতে জয়পুৰত খেলা-ধূলা হৈ গল তাত আমাৰ লৰা-ছোৱালীয়ে যথেষ্ট সুনাম অৰ্জন কৰি আহিছে। কোনো প্ৰশিক্ষণ নোহোৱাকৈ আমাৰ লৰা-ছোৱালীয়ে যি সুনাম অৰ্জন কৰি আহিল প্ৰশিক্ষণৰ ব্যৱস্থা হলে নিশ্চয় আৰু ভাল কৰিব পাৰিব। আৰু এটা কথাৰ প্ৰতি আমি বিশেষ ভাবে লক্ষ্য ৰখা উচিত। ইতিমধ্যেই শ্ৰীগোস্বামী ডাঙৰীয়াই কৈ গৈছে টুৰনামেণ্ট সম্পৰ্কে। এই টুৰনামেণ্ট পতা চিষ্টেমটোৰ মই সম্পূৰ্ণ ভাবে বিৰোধীতা কৰিছো। এই কাৰণেই বিৰোধীতা কৰিছো যে টুৰনামেণ্টৰ যোগেদি লৰাক ভাল কৰিবলৈ আনি বেয়াহে কৰা হৈছে। টুৰনামেণ্টলৈ বুলি খেলাৰ বিষয়ে কোনো অহ'তা নথকা শিক্ষক একোজনৰ অধীনত লৰা-ছোৱালী পঠোৱা হয়

আৰু সেইজন শিক্ষকে লৰা-ছোৱালীক এৰি থৈ গৈ মিতিৰ-কুটুম খাই ফুৰি গৈ, ইফালে লৰা ছোৱালীয়ে নিজ ইচ্ছামতে ঘুৰি ফুৰে। এনেকি বটল খোৱাৰ পৰা আৰম্ভ কৰি নানা বেয়া কামত তেওঁলোক লিপ্ত হৈ পৰে। আন এটা কথা হৈছে আমাৰ লৰাই ফুটবল খেলোতে ক্ৰ'ষ্ট হাফ ঠিককৈ খেলে, কিন্তু চেকেণ্ড হাফত একে জন লৰা পামচৰ হৈ পৰে। ইয়াৰ কাৰণ কি? মই ভাবো ইয়াৰ কাৰণ হৈছে অনভ্যাস থাকোতে তেওঁলোকৰ ডাঙৰ কথা হল, তেওঁলোকক কিবা এটা দিব নকলৈ লাগে। আটিষ্ট হলে তেওঁকো কিবা এটা খাই লবলৈ লাগে। তেতিয়া হে তেওঁ কিবা এটা আঁকিব পাৰে। আচল কথা হল আমাৰ খেলুৱৈ সকলক আমি ঠিকমতে আহাৰ আৰু প্ৰোটিন যুক্ত খাদ্য তেওঁলোকক যোগাৰ-ধৰিব পৰা নাই। জেনেল টুৰনামেন্ট বিলাকত হিউজ খৰচ হয়। আমাৰ যিবিলাক ভাল খেলুৱৈ আছে তেওঁলোকক আনি ষ্টেট ভিত্তিত খেলৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত চৰকাৰে ভাল ধৰণেৰে আৰ্থিক সাহায্য আগবঢ়াব লাগে।

উপাধ্যক্ষ মহোদয়, মই আৰু বিশেষ কব খোজা নাই। খেলজগতত আমাৰ অন্তৰ্ভুক্ত থকা খেলুৱৈ সকলে যাতে সুনাম অৰ্জন কৰিব পাৰে এই বিষয়ত চৰকাৰে যাতে বিশেষ ধৰণেৰে গুৰুত্ব দিয়ে আৰু এখন কাৰ্য্যকৰী আঁচনি গ্ৰহণ কৰি তাৰ যোগেদি আমাৰ খেলুৱৈ লৰা-ছোৱালীবোৰক উৎসাহিত কৰি তোলে সেই আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীলক্ষ্মী কান্ত শইকীয়াঃ উপাধ্যক্ষ মহোদয়, খেলা-ধূলাৰ ক্ষেত্ৰত চৰকাৰী সাহায্য আৰু পৃষ্ঠপোষকতা সম্পৰ্কে ডাঃ গোস্বামী ডাঙৰীয়াই যি আলোচনা উত্থাপন কৰিছে সেই আলোচনা প্ৰসঙ্গত মই কেইটামান কথা আগবঢ়াব বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, এইটো মই নকলেও সকলোৱে স্বীকাৰ্য্য যে অকল স্বাস্থ্যৰ ফালৰ পৰাই নহয়, খেলা-ধূলাৰ যোগেদি মানুহৰ মাজত ভাতৃত্বৰ ভাবো আহি পৰে। এই বিষয়ত যে অধিক মনোযোগ দিয়া আৱশ্যক সেই বিষয়ে বহলাই নকলেও হব।

উপাধ্যক্ষ মহোদয়, এই বিষযটোৰ ওপৰত যে অধিক গুৰুত্ব দিব লাগে এই বিষয়ে মই যোৱা হুয়োটা বাজেট অধিবেশনতে উল্লেখ কৰিছিলো।

আৰু আৱশ্যকীয় পৰামৰ্শও আগবঢ়াইছিলো। খেলা-ধূলাৰ মাজেদি যুৱ কল্যাণ আৰু সাংস্কৃতিক বিভাগ দুয়োটা গোটাই একেটা বিভাগ কৰি এটা সুকীয়া সঞ্চালোকালয় পতাৰ বিষয়ে মই পৰামৰ্শ আগবঢ়াইছিলো। অৱশ্যে চৰকাৰে ইতিমধ্যে এটা সুকীয়া বিভাগ খুলিছে। সেইটো হৈছে সাংস্কৃতিক বিভাগ আৰু যুৱ কল্যাণ বিভাগ। মই সেই কাৰণে এই প্ৰসঙ্গত পৰামৰ্শ আগবঢ়াৱ বিচাৰো যে খেলা-ধূলাৰ কাৰণে এটা সুকীয়া সঞ্চালোকালয় পতাৰ ব্যৱস্থা যেন চৰকাৰে কৰে। যুৱ কল্যাণ বিভাগৰ বাবে আৰু খেলা-ধূলাৰ বাবে বেলেগ বেলেগকৈ দুটা সঞ্চালোকালয় পাতিলে নতুন পুৰুষক যথেষ্ট পৰিমাণে উৎসাহিত কৰিব বুলি মই ভাবোঁ।

আজি কেৱল ডাঙৰ ডাঙৰ চহৰ কেইখনতেই খেল ধেমালিৰ ব্যৱস্থা কৰিলেই নহয় প্ৰত্যেক মহকুমাই মহকুমাই একোটা ষ্টেডিয়াম কৰাৰ ব্যৱস্থা কৰিব লাগে। উপাধ্যক্ষ মহোদয়, ভাৰত চৰকাৰে এই বিষয়ত যথেষ্ট টকা খৰছ কৰিলেও অসম চৰকাৰৰ তৎপৰতাৰ অভাৱত যিখিনি টকা পায় তাৰ সদব্যৱহাৰ কৰিব পৰা নাই। সেই কাৰণে ইয়াৰ অন্য এটা বিভাগ খুলিলে ভাল হব বুলি কোৱা হৈছে। শ্ৰদ্ধেয় বৰুৱা ডাঙৰীয়াই কৈছে যে চৰকাৰৰ খেল ধেমালীৰ বাবে টকা খৰছ কৰা যে নাই এইয়ে এনে নহয়, কিন্তু সদব্যৱহাৰ কৰিব নোৱাৰে। গতিকে এই টকাৰ যাতে সদব্যৱহাৰ হয় তাৰ ব্যৱস্থা কৰি প্ৰত্যেক স্কুল কলেজতে একোখন খেল পথাৰ কৰিব লাগে। মই কওঁ, এই বছৰ টকা পইচা যথেষ্ট নাথাকিব পাৰে তথাপিও প্ৰত্যেক মহকুমাই মহকুমাই যাতে একোটা ষ্টেডিয়াম হয়, তাৰ তৎকালীন ব্যৱস্থা ৰাখি কেন্দ্ৰীয় চৰকাৰৰ লগত যদি যোগাযোগ কৰা হয় আমাৰ ৰাজ্যখন ফলৱতী হব। ইয়াৰ উপৰিও আমাৰ যি বিলাক ক্ৰীড়ামোদী আছে তেওঁলোকক উৎসাহিত কৰিবৰ বাবে আমাৰ চৰকাৰে যিদৰে সাহিত্যিক নাট্য আৰু সাংস্কৃতিক লোকক বৃত্তি বটা দিয়াৰ ব্যৱস্থা কৰিছে, সেইদৰে তেওঁলোককো এই সুবিধা দিয়াৰ ব্যৱস্থা কৰিলে সকলোৱে আগবাঢ়ি আহিব। এইখিনিকে কৈ মই মাননীয় সদস্য ডঃ গোস্বামী ডাঙৰীয়াই যি আলোচনা আগবঢ়াইছে তাক সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* Speech not corrected.

শ্রীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) :- মাননীয় উপাধ্যক্ষ মহোদয়, আজি সচাকৈয়ে বৰ সুখৰ কথা হৈছে যে, প্ৰথম বাৰৰ কাৰণে খেল ধেমালিৰ কথা সদনত আলোচনা হৈছে। আমাৰ চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ কাৰণে বৰ্ত্তমান আলোচনাইহে নিশ্চয় সহায় কৰিব। উপাধ্যক্ষ মহোদয়, ইতিমধ্যে কেইবাবো এই সদনত উপস্থিত হৈছে। এই সংক্ৰান্তত অসমত খেল-ধেমালীৰ মান উন্নতি সাধনৰ কাৰণে চিন্তা কৰা হৈছে সেই হিচাবে স্পোৰ্টচ কাউনচিল নতুনকৈ গঠন কৰা হৈছে। আৰু এইবোৰ স্বকীয়া অনুষ্ঠান হিচাবে গঢ়ি তুলিবৰ কাৰণে ৰেজিষ্টাৰ কৰিবৰ কাৰণে আগবঢ়োৱা হৈছে। ইতিমধ্যে স্মাৰকপত্ৰৰ যোগেদি এইখন ৰেজিষ্টাৰ কৰিবৰ কাৰণে পঠোৱা হৈছে। এই স্পোৰ্টচ কাউন্সিল খন নতুন ধৰণৰ কৰিবলৈ চেষ্টা কৰা হৈছে। এই বিলাক কৰিবৰ কাৰণে প্ৰকৃত ক্ৰীড়ামোদী সকলৰ দিহা পৰামৰ্শ লোৱা হৈছে আৰু সেইমতে সেই সকলৰ পৰাও যথোপযুক্ত দিহা পৰামৰ্শ আহিছে। কিছুদিনৰ আগতে যোৰহাটত এই বিষয়ে হোৱা আলোচনা চক্ৰত আমাৰ মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াও উপস্থিত আছিল। আমাৰ বিভিন্ন খেল-ধেমালিৰ সংস্থা আছে। এই বিলাকৰ ভিতৰত ১২ টা বাজ্যিক আৰু ৪ টা নতুনকৈ হবলৈ ধৰিছে। সেই সংস্থাবিলাকৰ প্ৰতিনিধিও তাত আছিল আৰু তেখেত সকলৰ লগত বিষদ ভাবে আলোচনা আদি কৰা হৈছিল। এই আলোচনা চক্ৰৰ পৰা কিছুমান অতি লাগতিয়াল পৰামৰ্শ আমালৈ আগবঢ়োৱা হৈছিল। এই গোটেই বিলাক পৰামৰ্শ কে যদি কাৰ্য্যকৰি কৰিব লগা হয় তেতিয়াহলে, মই ভাবো আমাৰ শিক্ষা বিভাগৰ যিমান খিনি টকা আছে গোটেইখিনি টকা ইয়াতেই খটুৱাৰ লাগিব। গতিকেই যিমান বিলাক পৰামৰ্শ আগবঢ়োৱা হৈছে সেই আটাইবোৰ পৰামৰ্শকে কাৰ্য্যকৰী কৰাটো আমাৰ পক্ষে সম্ভবপৰ নহয়। সেই কাৰণেই আমি দেখিবলৈ পাইছো যে, আমাৰ মাননীয় সদস্য শ্ৰী গোস্বামী ডাঙৰীয়াই যি একলাখ টকা দিয়াৰ কথা কৈছে সেইটকা আগতেই দিয়া টকা। এইটো মই চাৰজেষ্ট টু কাৰেকচন হিচাবে কৈছো যে, ১৯৭১-৭২ চনত বোধকৰো এক লাখ টকা আছিল। ১৯৭২-৭৩

চনত আঢ়ৈ লাখ টকা ধৰিছে। সেই হিচাবে চাবলৈ গলে, আঁৰিষ্ঠনিৰে পৰা যথেষ্ট টকা ধাৰ্য্য কৰি অহা হৈছে। টকা একেবাৰেই নধৰা নহয়। মই এনেকুৱা এটা হিচাব দিবলৈ বিছাৰিছো যদিও মই প্ৰশ্নোত্তৰ কালত কৈছোৱেই। সদনৰ জ্ঞাতাৰ্থে মই সেই হিচাবটো দাঙি ধৰিব বিছাৰিছো। বিভিন্ন খেল ধেমালী অনুষ্ঠানলৈ আগবঢ়োৱা হিচাবটো হৈছে এই, ১৯৫৬-৫৭ চনৰ পৰা ৬৭-৬৮ চনলৈকে নেহেৰু ষ্টেডিয়ামৰ কাৰণে ১১,৮৮,৮৩২-৭৫ টকা ইয়াৰ বাহিৰেও এই কথা মই সিদিন প্ৰশ্নোত্তৰ কালত কৈছিলো যে, ইয়াৰ বাহিৰেও ৰাজ্যিক লটাৰীৰ ফালৰ পৰাও টকা দিয়া হৈছে। চৰকাৰৰ ফালৰ পৰা ১৯৬৬-৬৭ চনত তেৰলাখ টকা, ১৯৬৭-৬৮ চনত তেৰ লাখ আৰু ১৯৭০-৭১ চনত তিনি লাখ পঞ্চাশ হাজাৰ টকা আৰু ১৯৭২-৭৩ চনত দুই লাখ আৰু ভাৰত চৰকাৰৰ ফালৰ পৰা তিনি লাখ পঞ্চাশ হাজাৰ টকা দিয়া হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা নাই অনা বুলি কৈছে। কিন্তু নেহেৰু ষ্টেডিয়ামৰ কাৰণে টকা দিছে আৰু তাৰ বাহিৰে বাকী যিবিলাক ষ্টেডিয়াম আছে সেই বিলাকত এটা এটি চিব পৰা দিয়া হৈছে। যেনে, যোৰহাট ষ্টেডিয়ামত ১৯৫৬-৫৭ চনৰ পৰা ১৯৭২-৭৩ চনলৈকে দিয়া হৈছে একলাখ পাচ হেজাৰ টকা। নগাওঁ ষ্টেডিয়ামত ১৯৫৭-৫৮ চনৰ পৰা ১৯৭২-৭৩ চনলৈকে এই কাল ছোৱাৰ ভিতৰত দিছে একলাখ সাতসষ্টি হেজাৰ আঠশ চিয়ানব্বৈ টকা দিয়া হৈছে। ডিব্ৰুগড় খেল পথাৰৰ কাৰণে ১৯৫৮-৫৯ চনৰ পৰা ১৯৭০-৭১ চনলৈকে ৪২,৯১২-৪২ টকা দিছে। শিলচৰ খেল পথাৰ আৰু ষ্টেডিয়ামৰ কাৰণে ১৯৫৮-৫৯ চনৰ পৰা ১৯৭২-৭৩ চনলৈকে ১,০৬,৫০০-০০ টকা দিয়া হৈছে। ডিব্ৰুগড় বাহুৰ ষ্টেডিয়ামৰ কাৰণে ১৯৫৮-৫৯ চনৰ পৰা ১৯৬৫-৬৬ চনলৈকে পচানব্বৈ হেজাৰ আঠশ টকা দিয়া হৈছে। তেজপুৰ খেল পথাৰৰ কাৰণে ১৯৬০-৬১ চনৰ পৰা ১৯৭১-৭২ চনলৈকে ৪৪,৫০০-০০ টকা। ডিফু খেলপথাৰৰ বাবে ১৯৬২-৬৩ চনৰ পৰা ১৯৭২-৭৩ চনলৈকে ৩২,৯৯৯-৫৬ টকা, তিনচুকীয়া খেলপথাৰৰ কাৰণে ১৯৬২-৬৩ চনৰ পৰা ১৯৭২-৭৩ চনলৈ ৩৩,০০০-০০ টকা। শিৱসাগৰ খেলপথাৰৰ বাবে

১৯৬২-৬৩ চনৰ পৰা ১৯৭২-৭৩ চনলৈকে ৩৮,০০০-০০ টকা।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: ধুবুৰীত নাই নেকি?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (ম): ধুবুৰীত ফিল্ড নথকাৰ কাৰণে তাত দিয়া নাই। গোৱালপাৰা খেল পথাৰৰ বাবে ১৯৬৩-৬৪ চনৰ পৰা ১৯৭১-৭২ চনলৈকে ৩৪,৫০০-০০ টকা দিয়া হৈছে। ইয়াৰ বাহিৰেও টেবলটেনিচ এচোচিয়েচনৰ কাৰণে একলাখ টকা তেজপুৰক আৰু নগাওঁক দিয়া হৈছে। দহ হেজাৰ দিয়া হৈছে।

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা: স্কুল কলেজৰ লৰা ছোৱালীৰ খেলা-ধূলা কৰিবৰ কাৰণে গ্ৰাণ্ড দিয়া হয়নে নহয়?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (ম: উপাধ্যক্ষ মহোদয় সেই বিষয়ে মই কৈ থাকোতে ই উল্লেখ কৰিম।

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা: চাৰ মই এটা ক্লেৰিফিকেচন হে বিচাৰিছো।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (ম: আমাৰ মাননীয় সদস্যৰ পৰা টকা বিলাকৰ সদব্যৱহাৰ হোৱা নই বুলি আৰু এই ক্ষেত্ৰত আমাৰ ৰাজ্যখনৰ আগবঢ়া নাই বুলিও অভিযোগ কৰিছে। এই বিলাকৰ বিষয়ে প্ৰয়োজনীয় অনুসন্ধানাদি কৰি তাৰ কাৰণে লব লগীয়া যাৱতীয় ব্যৱস্থা বিলাক আমি লৈছো। তাৰ বাহিৰেও আমাৰ ৰাজ্যখনত খেলা-ধূলাৰ উন্নতিৰ মানদণ্ড জুখি চাবৰ কাৰণে এটা বিৱৰণী আপোনাসকলক দিবলৈ মনস্থ কৰিছো। খেল-ধূলাৰ উন্নয়নৰ ক্ষেত্ৰত কাচি ব্যৱস্থাৰ কৰিছো। কোচিংৰ কাৰণে প্ৰয়োজনীয় লোকক আমি অসমৰ বাহিৰৰ পৰা অনাৰ ব্যৱস্থা কৰা হৈছে। উদাহৰণ স্বৰূপে হকিৰ কাৰণে শ্ৰীধ্যানচান্দ আৰু শ্ৰীনাইনা কাম্মু, এ, জি, ৰ মচিং আৰু শ্ৰীঅমৰ নাথক ক্ৰীকেটৰ কাৰণে ফুটবলৰ কাৰণে শ্ৰীমেৱালাল আদি প্ৰখ্যাত লোক সকলৰ কোচিংৰ কাৰণে আমন্ত্ৰণ কৰি অনাৰ ব্যৱস্থা কৰি মাতিছে। ইয়াৰ বাহিৰেও নেচনেল ইনচটিটিউটিত অব স্পোৰ্টচৰ কোচাৰ সকলকো মাতি আনিছে। এই সকলৰ নাম কেইটা মই কবলৈ বিছাৰিছো। ফুটবলৰ কাৰণে শ্ৰীচোহানসিং চাউলা, এথেলেটিকছত আৰ, এচ, ৰানপী শ্ৰীদিৱাকৰ দত্তক ভোলি বলৰ কাৰণে, শ্ৰী-মচুদ্দিনক বাস্কেত বলৰ কাৰণে, শ্ৰীআৰ, চি.

আনন্দক টেনিচব কাৰণে শ্ৰীচুকান্ত ঘোষক টেবুল টেনিচৰ কাৰণে আৰু জেনাষ্টকত শ্ৰীআৰ. এন মাৰলাক মাতি অনা হৈছে। এই সকলৰ চাৰ্ভিচ আমি পাইছো। আৰু ইয়াৰ বাহিৰেও বিভিন্ন টিম বাহিৰলৈ পঠাই হলেও কোচিং দিয়াৰ ব্যৱস্থা কৰিম। এই ক্ষেত্ৰত নেচনেল ইনষ্টিটিউত অব স্পোর্টচ কাউনচিলে এই ক্ষেত্ৰত সহায় সহযোগ আগবঢ়াইছে। যিবিলাক লোক কাৰিংব কাৰণ আহে সেইলোকক ইয়াত থকা সময়ছোৱাৰ ভিতৰত দৰ্মহাও দিব লাগে আৰু অহাযোৱাৰ খৰছ আদিকে কৰি, থকা কালচোৱাত থকামেলাৰ ব্যৱস্থা কৰি দিব লাগে। গতিকেই এই বিলাক বিষয়েও গুৰুত্ব আৰোপ কৰা হৈছে। ইতিমধ্যে আমাৰ ৰাজ্যখনে খেলা ধূলাৰ ক্ষেত্ৰত বিশেষ সুনাম অৰ্জন কৰিব লৈ কা সমৰ্থ হৈছে। এথলেটিকছত অসমে বহুসুনাম অৰ্জন কৰি ৯৭৩ চনত দুৰ্গাপুৰত হোৱা অল ইণ্ডিয়া ইনটাৰষ্টেট চেমপিয়নচিপত এটা চিলভাৰ আৰু এটা সোনৰ মেডেল কে ধৰি লৰা আৰু ছোৱালীৰ ভিতৰত সৰ্বমুঠ ৪ টা পদক লাভ কৰিবলৈ সমৰ্থ হয়। অলপতে ইনটাৰষ্টেট টেবল টেনিচ চেমপিয়নচিপত ছোৱালীৰ প্ৰথম স্থান অধিকাৰ কৰি আহিছে। এইবিলাকৰ পৰা বুজা যায় যে ফুটবলৰ পৰা আৰম্ভ কৰি এনেধৰণৰ বিলাক গমতে আমাৰ খেলুৱৈ সকলে অৰ্জন কৰা ৰেকৰ্ড আমাৰ আছে। ফুট বলৰ ক্ষেত্ৰত ১৯৭০ চনত অসমৰ পৰা চাৰি জনীয়া স্কুল টিম এটিযে শ্ৰীলংকাৰ লগতো মাদ্ৰাজত খেলি আহিলগৈ। এই বিলাক অকল বাতৰি কাগজতে সংগতি হোৱা নাই। বাহিৰৰ বহুতো ঠাইতে বিভিন্ন খেলাত সুনাম অৰ্জন কৰি আছে।

ইয়াৰ পাছত গাৱলীয়া অঞ্চলত খেল ধেমালীৰ উন্নয়নৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই ক্ষেত্ৰত সময় নাই কাৰণে আগতে কবলৈ বিচাৰিছো। নেচনেল ষ্টেনডাৰ্দ মেইনটেইন কৰাৰ কাৰণেই এই খেলা ধূলা আৰম্ভ কৰা হৈছে। ১৯৭০ ৭১ চনত পাটিয়ালাত হোৱা চেনট্ৰেল লেভেল কমপিটিচনলৈ ভলি আৰু এথলেটিকছৰ কাৰণে টিম পঠোৱা হৈছে। ১৯৭১-৭২ চনত জয়পুৰত হওঁতেও ফুটবল আৰু এথলেটিকৰ কৰা কাৰণে অসমৰ কাৰণে পৰা টিম পঠোৱা হৈছিল। ৯৭২ ৭৩

চনত নগাওঁত হোৱা প্ৰথম ষ্টেতলেবেল কমপিটিচনত হোৱা পাচখন জিলাই যোগদান কৰিছিল। এই পাছখন জিলা হৈছে, নগাওঁ, শিৱসাগৰ দৰং, মিকিৰ পাহাৰ, আৰু গোৱালপাৰা। ১৯৭২-৭৩ চনত নতুন দিল্লীত হোৱা চেনট্ৰেল লেবেল কমপিটিচনৰ কাৰণে ৬২ জন লৰা ছোৱালী পঠোৱা হৈছিল। এই কেইটা খেলাৰ কাৰণে পঠোৱা হৈছিল। যেনে - ফুটবল, লৰাৰ ভলি বল, এথেলিটিকছ, লৰা ছোৱালীৰ কাবাদী আৰু ৰেষ্টলিং এই বিলাকত কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা সহায় কৰিছিল। ষ্টেতলেবেল কমপিটিচনত চাৰি হেজাৰ টকা কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা দিয়া হৈছিল। আৰু তাৰোপৰি প্ৰত্যেক জিলাৰ কাৰণে তেৰহাজাৰ টকাকৈ দিয়া হয়। এইবছৰ ষ্টেটলেবেল কমপিটিচন গুৱাহাটীত হয়। তাত কামৰূপ, নগাওঁ, কাছাৰ, মিকিৰ পাহাৰ আৰু দৰঙে যোগদান দিয়ে। প্ৰত্যেক জিলাৰ কাৰণে এহেজাৰ টকাকৈ কেন্দ্ৰীয় চৰকাৰে দিব বুলি কৈছে আৰু ষ্টেতলেবেল কমপিটিচনৰ কাৰণে তিনি হাজাৰ টকা দিব। ১৯৭৩-৭৪ চনত তামিলনাডুৰ চালেমত হোৱা চেনট্ৰেললেবেল কমপিটিচনলৈ ৭৩ জন ছাত্ৰ-ছাত্ৰীক পঠাইছে। তাত খেল আছে এই কেইটা ফুটবল, লৰা ছোৱালীৰ ভলি, লৰা ছোৱালীৰ এথেলিকচ আৰু কাবাদী। আমি পোৱা খবৰ মতে ১৩ ২-৭৪ তাৰিখে আৰম্ভ হৈছে। উপাধ্যক্ষ মহোদয়, এই বিলাক তথ্যপাতিৰ পৰা যি দেখা যায়, গ্ৰাম্যক্ৰীড়া মোদীৰ কাৰণে আমি চকুকান নিদিয়া নহয়। এই ক্ষেত্ৰত আমি যথেষ্ট গুৰুত্ব আৰোপ কৰিছো। নন ষ্টুডেন্ট তেও যোগদান কৰিব পাৰিব। ১৬ বছৰৰ তলৰ লৰা ছোৱালীয়েও যোগদান কৰিব পাৰিব। ইয়াৰ বাহিৰেও স্কুল বোৰত ১০-১২ টা শকত হোৱা কমপিটিচনত প্ৰত্যেক শকত এশ টকাকৈ কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা দিয়াৰ ব্যৱস্থা আছে। যি ধৰণৰ সংঠগনৰ ব্যৱস্থা কৰিব লাগিছিল সেই ধৰণৰ সংগঠনৰ ব্যৱস্থা আমি কৰিব পৰা নাই ভালদৰে সংগঠন কৰিব পাৰিলে আশাকৰো গ্ৰাম্য খেল-ধেমালীৰ উন্নতি হব। আৰু যিবিলাক লৰা-ছোৱালী চকুত পৰা নাই, সেই বিলাকেই চকুত পৰিব। সুকীয়া এটা ডিৰেক্টৰেট খোলাৰ কাৰণে যি প্ৰশ্ন সোধা হৈছিল এই ক্ষেত্ৰত মই

কওঁযে, ই বিবেচনাধীন হৈ আছে। ইয়াৰ লগত জড়িত শিক্ষা বিভাগটোও প্ৰথম সংগঠন কৰিবলৈ আৰু ৫ম পৰিকল্পনাত এইটো কৰিবলৈ ভবা হৈছে। তাৰ পিছত আমাৰ মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই আগবঢ়োৱা পৰামৰ্শটোও বিবেচনাধীন হৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াই কৈছে যে শ্ৰীনুৰুল আমিন এজন খেল-ধূলা ভাল পৃষ্ট পোষক। তেখেত আগতে এই বিষয়ৰ ডিৰেক্টৰ আছিল। এতিয়া তেখেত চেক্ৰেটাৰী হৈ আছে।

আমি আজি খেলা-ধূলাৰ সংক্ৰান্তত বহুতখিনি কামত আগবাঢ়ি আহিছো আৰু যত যেনে ভাবে প্ৰয়োজন হয় সেই মতেই সংশোধন কৰি লৈছো। মোৰ বিশ্বাস পঞ্চম পঞ্চবাৰ্ষিকী পৰিকল্পনাত আমি যেনে দৰে কাম কৰিম বুলি ভাবিছো সেইটো নিশ্চয় ভাল হব। আগতে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছিল-যে প্ৰত্যেক মহকুমাতে একোখনকৈ ষ্টেডিয়াম কৰিবৰ কাৰণে ৫০ হাজাৰকৈ টকা দিব। এই সম্পৰ্কত আমি লিখা লিখি কৰি জানিব পাৰিলো যে ৪ৰ্থ পৰিকল্পনাৰ যিবিলাক আঁচনি আছিল সেইবিলাক ৫ম পৰিকল্পনাত বন্ধ কৰি দিছে। এতিয়া আমি সৰু সৰু স্কুলীয়া লৰা-ছোৱালীৰ কাৰণে তেওঁলোকে যাতে স্কুলতে খেলা-ধূলা কৰিব পাৰে এই ক্ষেত্ৰত স্কুল স্পৰ্চ এচোচিয়েচন কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো। আৰু এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ অফিচাৰ কেইজনমান চিলঙলৈ অহাত তেওঁলোকৰ লগতো আলোচনা কৰিছিলো। আমি সেইহেতু ষ্টেডিয়াম আৰু কটন কলেজত প্ৰথমে স্কুল স্পৰ্চ এচোচিয়েচন কৰিম বুলি ভাবিছো। আমি বৰ্ত্তমানে যিবিলাক আঁচনি খেলা-ধূলাৰ কাৰণে কৰি আছো মোৰ বিশ্বাস ৫ম পৰিকল্পনাত এই ক্ষেত্ৰত আমি বহুতখিনি আগবাঢ়ি যাব পাৰিম। এই বছৰো কিছু টকা এই শিতানত ধৰা হৈছে। এল পি স্কুলৰ লৰা-ছোৱালীৰ কাৰণে খেলা-ধূলাৰ ব্যৱস্থা বৰ্ত্তমান গুৱাহাটীত আৰম্ভ কৰা হৈছে। এই বিলাকত আমি চকু কান দি আছো।

ফিল্ডৰ সংক্ৰান্তত আমি এটা কাম কৰিআহিছো যে স্কুল বিলাকক

বিকগনাইজেচন বা এফিলিয়েচন দিয়াৰ সময়ত তেতিয়া ফিল্ড আছেনে নাই সেই কথাটো লিখি দিবলৈ কোৱা হৈছে। এই ফিল্ডৰ কাৰণে কিছুমান স্কুল আৰু কলেজক টকাও দি অহা হৈছে। যোৱা বছৰ আমি ফিল্ডৰ কাৰণে স্কুল বিলাকক টকা দিব নোৱাৰিলো যদিও কলেজ বিলাকক দি আহিছো। আমি টকা পইচা প্ৰয়োজনীয় অনুপাতে পালে স্কুল কলেজক ফিল্ডৰ কাৰণে টকা পইচা দিব পাৰিম। আৰু কোনোবাই যদি ফিল্ডৰ কাৰণে ভাল উপযুক্ত মাটি থাকে বুলি সেই কথা আমাক জনালে সেই বিষয়টো আমি বেভিনিউ বিভাগৰ লগত যোগাযোগ কৰি তাৰ ব্যৱস্থা কৰিম। এই সম্পৰ্কত যদি ক্ৰীড়া সংস্থা বিলাকে আমাক পৰামৰ্শ আদি আগবঢ়ালে আমি নিশ্চয় আগবাঢ়ি যাব পাৰিম।

আমাৰ টকাৰ অভাৱৰ কাৰণেই ভাল খেল লৰা ছোৱালী বিলাক বৃত্তি দিব পৰা নাই। মই নিজেও এইটো কথা বিবেচনা কৰিছো যে ভাল লৰা ছোৱালী বিলাকক বৃত্তি দিব পাৰিলে ভাল হব। এই সম্পৰ্কে আমি ৫ম পৰিকল্পনাত ব্যৱস্থা কৰিব পাৰিম বুলি আশা ৰাখিছো। কাৰণ এইটো কৰিব পাৰিলে আমাৰ লৰা ছোৱালী বিলাকে উৎসাহ পাব। মই আশা ৰাখিছো আমাৰ মাননীয় সদস্য সকলেও এই ক্ষেত্ৰত বুদ্ধি পৰামৰ্শ দি আমাক সহায় কৰিব। মই এইখিনি কথাকে নিবেদন কৰিলো।

শ্ৰীকবীৰ ৰয় প্ৰধানী : মই কৈছো ধুবুৰীৰ কাৰণ যোৱা নইনে চৰকাৰৰ কালৰ পৰা যত্ন লোৱা নাই। আজি ইমান বছৰ কিয় কোচন হোৱা নাই?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এইটো চাব লাগিব। এইখিনিতে মই কৈ থওঁ যে কেন্দ্ৰীয় আঁচনিত নেহৰু যুবক কল্যাণ ক্ৰীড়া সংস্থা আঁচনি গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰত কৰা হৈছে। এই আঁচনিৰ জৰিয়তে সহায় কৰিব পাৰিম বুলি আশা কৰা হৈছে।

## ADJOURNMENT

Mr. Deputy Speaker : The House stands adjourned

till 10 A.M. on Monday, the 18th February, 1974.

( The House then adjourned at 11-45 A.M. )

The House More at 11-45 A.M. and stood adj-urned till 10 A M. on Monday the 18th February, 1975.

Shri P. D. Barua.
Secy, R. A.
Assam.

Dispur
15-2-74.